Political Science Forum

# Polity

Volume - 2

March, 2015

POLITICAL SCIENCE DEPARTMENT

KAMRUP COLLEGE, CHAMATA









Editor :

Dr. Saiki Talukdar

Bhaben Kakati

# POLITY

Volume-2 March 2015

## Political Science Forum

## Political Science Department
## Kamrup College Chamata

**Editors**
Dr. Saiki Talukdar, Bhaben Kakati

POLITY
Volume-2 March 2015

## সম্পাদনা সমিতি

উপদেষ্টা ঃ
ড° এডিচন আলি, অধ্যক্ষ, কামৰূপ কলেজ চামতা।
হিৰণ্য তালুকদাৰ, মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, কামৰূপ কলেজ চামতা।

সম্পাদক ঃ
ড° ছাইকী তালুকদাৰ, সহঃ অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ, কামৰূপ কলেজ চামতা।
ভবেন কাকতি, সহঃ অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ, কামৰূপ কলেজ চামতা।

সদস্য ঃ
পম্পী ৰাণী বৰ্মন, প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ।
ভাস্কৰজ্যোতি ডেকা
অমৰেন্দ্ৰ কলিতা

মুদ্ৰণ ঃ
মৃত্যুঞ্জয় অফ্‌চেট প্ৰেছ, সৰ্থেবাৰী, পূৰণ বজাৰ
ভ্ৰাম্যভাষ ঃ ৮৮১১৯ ৯৯৭৮৫, ৯৯৫৪৫ ৩৬৩৫০

## সূচীপত্ৰ

সুন্দৰ সমাজৰ সোপান ঃ সমাজতান্ত্রিক গণতন্ত্র ঃ হিৰণ্য তালুকদাৰ 5

গণতন্ত্ৰৰ প্ৰত্যাহ্বান— সন্ত্রাসবাদ, বিশ্বাসন্ত্রাসবাদ আৰু ইয়াৰ প্রতিৰোধ ব্যৱস্থা ঃ পম্পী ৰাণী বৰ্মন 11

সহস্রাব্দ বিকাশৰ লক্ষ্য ঃ গায়ত্রি দত্ত 15

নাৰী নির্যাতন আৰু ইয়াৰ প্রতিৰোধৰ উপায় ঃ ভাস্কৰ জ্যোতি ডেকা 19

বিশ্বায়ন আৰু তৃতীয় বিশ্বৰ অৰ্থনীতি ঃ অপৰ্ণা দেৱী 24

পাৰিপাৰ্শ্বিক সজাগতা আৰু এই বিষয়ত ভাৰতৰ স্থিতি সম্পৰ্কে কিছু কথা ঃ অমৰেন্দ্ৰ ডেকা 27

পৃথক ৰাজ্য প্ৰাসংগিকতা ঃ ৰিজুমণি গোস্বামী 29

Human Security : Conceptual Framework and its Link with Human Centric Issues like Human Development and Human Right : Dr. Saiki Talukdar 31

Sixth Schedule of Indian Constitution : An Overview : Bhaben Kakati 39

Departmental Profile 47

# Editorial

'POLITY' is an annual magazine published by the Political Science Department of Kamrup College. It was first published in the year 2004. But due to various problems, it could not keep its continuity. Again, since the year 2013, efforts were going on to revive it. 'POLITY'- Vol-2 is an outcome of such efforts.

Through it, efforts have been made to have an eco-political analysis of the burning problems of the contemporary world. Analysis and observation of the problems faced by the society can contribute towards the establishment of a progressive society. 'POLITY' is an effort towards such approach. In this effort, aimed at intellectual development of the students of the Department; presence of mistakes in various forms is natural.

We offer our gratitudeness to all those who have helped us in this attempt through constructive advices. Along with this, we also offer our gratitude to the Principal of Kamrup College, Chamata Dr. Adison Ali Sir without whose help it would not have seen the light of publication.

At the last, we beg appology for all the unwanted mistakes committed by us in this attempt.

***Dr. Saiki Talukdar***
***Bhaben Kakati***
*Date....................*

# সম্পাদকীয়—

'POLITY' ৰাজনীতি বিজ্ঞান বিভাগ (কামৰূপ কলেজ)ৰ দ্বাৰা প্ৰকাশিত বছৰেকীয়া আলোচনী। 2004 চনত প্ৰথম প্ৰকাশ হোৱাৰ পিছত বিভিন্ন অসুবিধাৰ বাবে দ্বিতীয় প্ৰকাশ সম্ভৱ হোৱা নাছিল। 2013 চনৰ পৰাই ইয়াক পুনৰ প্ৰকাশ কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হয়। এনে প্ৰচেষ্টাৰে ফচল 'POLITY, Vol-II.'

সমসাময়িক সমস্যা জৰ্জৰ পৃথিৱীৰ বিভিন্ন সমস্যাক আৰ্থ ৰাজনৈতিক দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰাৰ প্ৰচেষ্টা ইয়াত লোৱা হৈছে। সমস্যা তথা বিশ্ব ঘটনা প্ৰবাহৰ সুক্ষ্মাতি সুক্ষ্ম বিশ্লেষণৰ দ্বাৰাহে এক প্ৰগতিশীল সমাজ ব্যৱস্থাৰ ভেটি গঢ়িব পাৰি। 'POLITY' এনে প্ৰচেষ্টাৰ এক ক্ষুদ্ৰতম অংশ। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ এক প্ৰাথমিক ক্ষেত্ৰ প্ৰদানক মুল লক্ষ্য হিচাপে লৈ আগবঢ়া আমাৰ এই প্ৰচেষ্টাত ভুল-ভ্ৰান্তি থকাটো তেনেই স্বাভাৱিক। গঠনমূলক সমালোচনা আগবঢ়াই আমাৰ কুমলীয়া প্ৰচেষ্টাক পৈনত কৰাত সহায় কৰা সমূহ শুভাকাংশীলৈ আমাৰ কৃতজ্ঞতা থাকিল। কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড°এডিচন আলি মহোদয়ে সহায়ৰ হাত আগ নবঢ়োৱা হেতেন ই প্ৰকাশৰ মুখ নেদেখিল হেতেন। মহোদয়লৈ এই চেগতে কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত সম্পাদক হিচাবে অনাকাংক্ষিত সকলো ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিছোঁ।

*ড° ছাইকী তালুকদাৰ*
*ভবেন কাকতি*
*তাৰিখ ....................*

# সুন্দৰ সমাজৰ সোপান ঃ সমাজতান্ত্রিক গণতন্ত্র

হিৰণ্য তালুকদাৰ, মুৰব্বী অধ্যাপক,
ৰাজনীতি বিজ্ঞান বিভাগ
কামৰূপ কলেজ, চামতা

আধুনিক সমাজ বিজ্ঞানৰ ব্যাপকৰূপত চৰ্চ্চিত বিষয় হ'ল 'গণতন্ত্র'। সমাজ বিজ্ঞানৰ প্ৰতিটো শাখাতে গণতন্ত্রৰ চৰ্চ্চা হোৱা দেখা যায়। ৰাজনৈতিক ব্যৱস্থা হিচাপে গণতন্ত্রৰ আলোচনা বৰ তাৎপৰ্যপূৰ্ণ। গণতন্ত্র আধুনিক যুগৰ সৃষ্টি নহয়। প্ৰাচীন কালত গ্ৰীচত এই ধাৰণাৰ সৃষ্টি হয়। সেই পুৰণি দিনৰ পৰা বিভিন্ন শতিকাত নতুন নতুন ধাৰণাই ইয়াক প্ৰভাবিত কৰি আহিছে। তাৰ ফলত গণতন্ত্র সম্পৰ্কীয় ধাৰণা বৰ বিস্তৃত হৈছে আৰু ই জটিল ৰূপ পৰিগ্ৰহ কৰিছে। বৰ্তমান গণতন্ত্র শব্দটো বিভিন্ন অৰ্থত আৰু বিভিন্ন প্ৰকাৰত (Form) ব্যৱহাৰ হোৱা দেখা যায়। এই কাৰণে গণতন্ত্ৰক "the most elusive and ambiguous of all political terms" বুলি কোৱা হয়।

'গণতন্ত্র' শব্দটো পহিলা ব্যৱহাৰ হয় খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাত গ্ৰীচ দেশত। 'Democracy' হ'ল গণতন্ত্রৰ ইংৰাজী প্ৰতিশব্দ। 'Demos' আৰু 'Kratos'- এই দুটা গ্ৰীক শব্দৰ পৰা ইংৰাজী 'Democracy' শব্দটোৰ সৃষ্টি হয়। গ্ৰীক শব্দ 'ডেমচ' মানে হ'ল জনগণ আৰু 'ক্ৰেটচ'ৰ অৰ্থ হ'ল শাসন বা কৰ্তৃত্ব। সেয়েহে গণতন্ত্রৰ ব্যুৎপত্তিগত অৰ্থ হ'ল জনগণৰ শাসন। প্ৰাচীন কালত গ্ৰীচ দেশৰ এথেন্সত গণতন্ত্রৰ পৰীক্ষা-নিৰীক্ষাৰ সূচনা হয়। গ্ৰীক ইতিহাসবিদ থুচিডাইছে তেওঁৰ 'পেলোপোনেচীয় যুদ্ধৰ ইতিহাস' নামৰ গ্ৰন্থখনত গণতন্ত্র শব্দটো উল্লেখ কৰে। গ্ৰীক ইতিহাসবিদ হেৰোডটাচে গণতন্ত্রৰ আলোচনাত 'বহুজনৰ শাসন' আৰু সমাজত 'সম-অধিকাৰ'ৰ কথা কয়। এই সময়তে ক্লিওন নামৰ আন এজন গ্ৰীক পণ্ডিতে গণতন্ত্ৰক জনগণৰ দ্বাৰা, জনগণৰ কাৰণে, জনগণৰ শাসন বুলি উল্লেখ কৰে।

বৰ্তমান গণতন্ত্র বৰ জনপ্ৰিয়। এই বহুল জনপ্ৰিয়তাৰ কাৰণে এটা অৰ্থবহ ৰাজনৈতিক ধাৰণা হিচাপে গণতন্ত্ৰক ব্যাখ্যা কৰাটো কঠিন হৈ পৰিছে।

জটিলতা স্বত্বেও এটা উৎকৃষ্ট বিষয় হিচাপে গণতন্ত্রই সাৰ্বজনীন স্বীকৃতি লাভ কৰিছে। গণতান্ত্ৰিক মানেই ভাল আৰু অগণতান্ত্ৰিক মানেই বেয়া এনেকুৱা মনোভাবৰ সৃষ্টি হৈছে। এই ধৰণৰ প্ৰতীকীবাদৰ কাৰণে বহুতো ব্যক্তি আৰু বিভিন্ন সংগঠনে নিজকে গণতান্ত্ৰিক বুলি দাবী জনায়। সংকীৰ্ণ অৰ্থত গণতন্ত্ৰ বুলিলে এটা নিৰ্দিষ্ট ধৰণৰ শাসন ব্যৱস্থাক বুজোৱা হয়। আব্ৰাহাম লিংকণে তেওঁৰ "গণতন্ত্ৰ হ'ল জনগণক লৈ, জনগণৰ দ্বাৰা আৰু জনগণৰ কাৰণে পৰিচালিত শাসন ব্যৱস্থা" এই সংজ্ঞাটোৰ দ্বাৰা সংকীৰ্ণ অৰ্থৰ গণতন্ত্ৰক সুন্দৰভাৱে প্ৰকাশ কৰিছে। কিন্তু গণতন্ত্ৰক অকল শাসন ব্যৱস্থা হিচাপে বিচাৰ কৰিলে গণতন্ত্ৰৰ প্ৰকৃত স্বৰূপ ব্যাখ্যা কৰা নহয়। গণতন্ত্ৰৰ অৰ্থ আৰু বাস্তৱতা বৰ ব্যাপক। প্ৰকৃততে গণতন্ত্ৰ বুলিলে এনেকুৱা এটা সমাজব্যৱস্থাক বুজোৱা হয় যি ব্যৱস্থাত ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক সকলো ক্ষেত্ৰতে সমতা প্ৰতিষ্ঠিত হয়। হবহাউচ, বাৰ্নচ, ইউলোবি, হেনৰি মেইন আদি বিশিষ্ট ৰাজনীতি বিজ্ঞানী সকলে গণতন্ত্ৰক সমতা, ন্যায়, সত্য আৰু জনকল্যাণৰ ওপৰত প্ৰতিষ্ঠিত এটা সমাজ ব্যৱস্থা হিচাপে ব্যাখ্যা কৰিছে। লাস্কিয়ে কৈছে, প্ৰকৃত গণতান্ত্ৰিক সমাজ হ'ল সেইখন সমাজ য'ত আৰ্থিক বৈষম্য নাথাকে, য'ত বলপ্ৰয়োগ বা শোষণৰ কোনো স্থান নাই। বাৰ্ণচ (C.D. Burns)ৰ মতে, "আদৰ্শগত বিচাৰত গণতন্ত্ৰ হ'ল এনেকুৱা এটা সমাজব্যৱস্থা য'ত সকলো ব্যক্তি সমান নহ'লেও এই অৰ্থত সমান যে তেওঁলোক প্ৰত্যেকেই সমাজৰ অবিচ্ছেদ্য আৰু অপৰিহাৰ্য অংশ।"

গণতন্ত্ৰক বহুসময়ত এটা জীৱনাদৰ্শ হিচাপেও বিবেচনা কৰা হয়। গণতন্ত্ৰ হ'ল এনেকুৱা এক ধৰণৰ জীৱনাদৰ্শ যিটোৱে মানুহৰ প্ৰতি মানুহৰ শ্ৰদ্ধাবোধ বৃদ্ধি কৰে, মানুহক ভাতৃত্ববোধত উদ্দীপ্ত কৰে, মানুহক দায়িত্ববোধৰ প্ৰতি সচেতন কৰে। ইবেনষ্টাইনে জীৱনাদৰ্শ হিচাপে গণতন্ত্ৰৰ কেইটামান বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। তেওঁৰ মতে (ক) গণতন্ত্ৰত মানুহৰ অভিজ্ঞতা আৰু বিচাৰবুদ্ধি বৃদ্ধি পায়, (খ) ব্যক্তিৰ সেৱা আৰু সুখ প্ৰদান কৰাটোৱে গণতন্ত্ৰৰ ধৰ্ম (গ) গণতন্ত্ৰত ৰাষ্ট্ৰখন সমাজৰ স্বাৰ্থত নিয়োজিত আৰু (ঘ) সহযোগিতা, স্বতঃস্ফূৰ্ত্ততা, সহনশীলতা উদ্যোগ, উৎসাহ গণতান্ত্ৰিক জীৱনাদৰ্শৰ লক্ষণ।

মাৰ্ক্সবাদী সকলে গণতন্ত্ৰক ঠেক দৃষ্টিৰে এটা মাত্ৰ শাসন ব্যৱস্থা হিচাপে বিবেচনা নকৰে। তেওঁলোকে গণতন্ত্ৰক একমাত্ৰ এটা জীৱনাদৰ্শ হিচাপেও তাত্ত্বিক গণ্ডীৰ মাজত সীমাবদ্ধ কৰি ৰাখিব নিবিচাৰে। এওঁলোকে গণতন্ত্ৰক একমাত্ৰ ৰাজনৈতিক ক্ষেত্ৰত প্ৰতিষ্ঠিত সাম্যমূলক সমাজ ব্যৱস্থা বুলিও মানি নলয়। মাৰ্ক্সবাদী বা সাম্যবাদী সকলৰ মতে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক ইত্যাদি প্ৰতিটো ক্ষেত্ৰতেই সমতা আৰু সামানাধিকা

প্ৰচলন হ'লেহে প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠিত হ'ব পাৰে। প্ৰকৃত অৰ্থত ৰাজনৈতিক ক্ষমতা অৰ্জন বা ভোগ কৰিব লাগিলে জনসাধাৰণৰ মাজত সমতা বা সামানাধিকাৰ প্ৰতিষ্ঠিত হ'ব লাগিব। অৰ্থাৎ বৈষম্যমূলক সমাজ ব্যৱস্থাই গৰিষ্ঠ সংখ্যক দৰিদ্ৰ জনসাধাৰণক প্ৰকৃত অৰ্থত কেতিয়াও ৰাজনৈতিক ক্ষমতা প্ৰদান কৰিব নোৱাৰে। এনেকুৱা গণতন্ত্ৰত জনসাধাৰণৰ নামত সংখ্যালঘু এটা শ্ৰেণীয়ে শাসন ক্ষমতা ভোগ কৰে। লাস্কিৰ ভাষাত "অৰ্থনৈতিক ক্ষেত্ৰত গণতন্ত্ৰ অবিহনে ৰাজনৈতিক গণতন্ত্ৰ অৰ্থহীন।" মাৰ্ক্স আৰু এঙ্গেলছে ইতিহাসৰ অভিজ্ঞতাৰ পৰা দেখুৱাইছে যে অতীতৰ সকলোবোৰ সমাজ ব্যৱস্থাতেই অতি কম সংখ্যক ব্যক্তিৰ হাতত উৎপাদনৰ আহিলাবোৰ (means of production) কেন্দ্ৰীভূত থকাৰ কাৰণে ৰাজনৈতিক ক্ষেত্ৰত সেই শ্ৰেণীটোৱে আধিপত্য বিস্তাৰ কৰি আহিছে। সেয়েহে এনে ধৰণৰ সমাজত গণতন্ত্ৰৰ অৰ্থই হ'ল কম সংখ্যকৰ গণতন্ত্ৰ, সকলোৰে গণতন্ত্ৰ নহয়। মাৰ্ক্সবাদী সকলে বিশ্বাস কৰে যে বৈষম্যহীন, শোষণহীন সমাজতহে গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ব পাৰে। অৰ্থাৎ সমাজতন্ত্ৰৰ প্ৰতিষ্ঠাইহে প্ৰকৃত গণতন্ত্ৰক প্ৰতিষ্ঠিত কৰিব পাৰে।

একমাত্ৰ বৈজ্ঞানিক সমাজবাদতহে গণতন্ত্ৰৰ পূৰ্ণাঙ্গ বিকাশ সম্ভৱ। ইয়াত সকলো ধৰণৰ বৈষম্যৰ অৱসান ঘটি শ্ৰেণীহীন আৰু শোষণহীন সমাজ প্ৰতিষ্ঠিত হয়। মাৰ্ক্সবাদ-লেনিনবাদৰ আদৰ্শৰ ওপৰত ভিত্তি কৰি বৈজ্ঞানিক সমাজবাদ বা সমাজতান্ত্ৰিক শাসন ব্যৱস্থাৰ সৃষ্টি হয়। মাৰ্ক্সীয় দৰ্শন অনুসৰি সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠিত হ'লেহে সমাজতান্ত্ৰিক গণতন্ত্ৰৰ পথ মুকলি হয়। সমাজতান্ত্ৰিক গণতন্ত্ৰ বুলিলে জনসাধাৰণৰ বেছিভাগৰে গণতন্ত্ৰ, খাটি খোৱা মানুহৰ গণতন্ত্ৰক বুজায়। সমাজতান্ত্ৰিক গণতন্ত্ৰ সম্পৰ্কে লেনিনে (V.I. Lenin) কৈছে : "It is a political system which gives maximum of democracy for the workers and peasants at the same time, it marks a break with bourgeois democracy and the rise of a new epochmaking type of democracy, namely proletarian democracy of the dictatorship of the proletariate." সমতা স্বাধীনতা, ভাতৃত্ব ইত্যাদি আদৰ্শ সমূহক ইয়াৰ মূল নীতি হিচাপে গণ্য কৰা হয়। অৰ্থনৈতিক সমতা, ব্যক্তিগত মালিকীস্বত্ত্ব আৰু ব্যক্তিগত সম্পত্তিৰ বিলোপ, সকলোৰে বাবে সমান অধিকাৰৰ স্বীকৃতি শ্ৰেণীশোষণ আৰু শ্ৰেণীদ্বন্দ্বৰ অনুপস্থিতি, শ্ৰম আৰু ভোগ ৰাষ্ট্ৰৰ দ্বাৰা নিয়ন্ত্ৰণ, শ্ৰমজীৱি মানুহৰ স্বাৰ্থ সংৰক্ষণ, গণ-সংস্কৃতিৰ বিকাশ, ধৰ্ম নিৰপেক্ষতাৰ আদৰ্শ, সৰ্বহাৰাৰ আন্তৰ্জাতিকতাবাদ ইত্যাদিবোৰ মাৰ্ক্সবাদী গণতন্ত্ৰৰ প্ৰধান বৈশিষ্ট্য।

সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সমতা

বিৰাজমান এটা সমাজ ব্যৱস্থাকহে মাৰ্ক্সবাদীসকলে গণতন্ত্ৰ বুলি কয়। আৰ্থিক বৈষম্য থকা সমাজত গণতন্ত্ৰ মুষ্টিমেয় ধনীক শ্ৰেণীৰ স্বাৰ্থ সাধনৰ যন্ত্ৰত পৰিণত হয়। অৰ্থনৈতিক ক্ষেত্ৰত সমতা প্ৰতিষ্ঠিত নহ'লে সামাজিক বা ৰাজনৈতিক কোনো ক্ষেত্ৰতে গণতান্ত্ৰিক আদৰ্শক আহিলাবোৰৰ সামাজিক মালিকীস্বত্ব প্ৰতিষ্ঠিত হয়। অৰ্থনৈতিক সমতা প্ৰতিষ্ঠাৰ এইটো প্ৰধান চৰ্ত। ব্যক্তিগত সম্পত্তিৰ অধিকাৰে শোষণৰ সূচনা কৰে।

সেয়েহে এই অধিকাৰক বাতিল কৰা হয়। সামাজিক নিয়ন্ত্ৰণ আৰু সামাজিক তত্বাবধানত উৎপাদন আৰু বিতৰণ ব্যৱস্থা পৰিচালিত হয়। সমাজৰ সম্পদৰ ন্যায়সঙ্গত বিতৰণ আৰু পৰিকল্পিত অৰ্থব্যৱস্থাৰ মাধ্যমেৰে জনসাধাৰণৰ সামগ্ৰীক উন্নয়ণৰ চেষ্টা কৰা হয়। সমাজতান্ত্ৰিক গণতন্ত্ৰত নাগৰিক জীৱনৰ গুৰুত্বপূৰ্ণ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰবোৰ ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃত আৰু সংৰক্ষিত হয়। এই ধৰণৰ শাসন ব্যৱস্থাত নাগৰিকসকলৰ কামৰ অধিকাৰ ইত্যাদি অৰ্থনৈতিক অধিকাৰৰ লগে লগে শিক্ষা-সংস্কৃতিৰ অধিকাৰবোৰ ভোগ কৰিব পাৰে। সমাজতান্ত্ৰিক গণতন্ত্ৰত জাতি, ধৰ্ম, বৰ্ণ লিঙ্গ নিৰ্বিশেষে সকলো নাগৰিকৰে সমান সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰক মানি লোৱা হয়। বাস্তৱত সকলোৰে এই অধিকাৰবোৰ ভোগ কৰাৰ প্ৰয়োজনীয় ব্যৱস্থাবোৰ গ্ৰহণ কৰা হয়। সমাজতান্ত্ৰিক গণতন্ত্ৰত সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত অধিকাৰ আৰু স্বাধীনতা ভোগৰ প্ৰকৃত আৰু পৰ্যাপ্ত সুযোগ থকাৰ কাৰণে এই ব্যৱস্থাত নাগৰিক সকলে ব্যক্তি স্বাধীনতাৰ যথাৰ্থতা উপলব্ধি কৰিব পাৰে। একেটা মাত্ৰ সামাজিক শ্ৰেণীৰ অস্তিত্ব থকা কাৰণে এই ব্যৱস্থাত শ্ৰেণী শোষণ বা শ্ৰেণী দ্বন্দ্ব নাথাকে।

সমাজতান্ত্ৰিক গণতন্ত্ৰত ৰাষ্ট্ৰই শ্ৰম আৰু ভোগৰ মাত্ৰা নিয়ন্ত্ৰণ কৰে। 'প্ৰত্যেকে তেওঁৰ সামৰ্থ অনুসৰি কাম কৰিব আৰু কাম অনুসৰি মজুৰী পাব।' ('From each according to his capacity and to each according to his work')— এইনীতিৰ ভিত্তিত এই ব্যৱস্থাত সামাজিক বিতৰণ নিয়ন্ত্ৰিত হয়। সেয়েহে প্ৰত্যেকেই সক্ৰিয়ভাৱে সমাজৰ উন্নয়নত অংশ গ্ৰহণ কৰিব লগা হয়। "যিয়ে কাম নকৰে, তা খাবলৈও দিয়া নহয়" (he who does not wo neither shall he eat)— এই মূল নীতিৰ ওপ সমাজতান্ত্ৰিক গণতন্ত্ৰত শ্ৰম আৰু ভোগ পৰিচালি হয়। এই ধৰণৰ সমাজব্যৱস্থাত পৰশ্ৰমজীৱি কে শ্ৰেণীৰ অস্তিত্ব নাথাকে। এইদৰেই সমাজতা গণতান্ত্ৰিক ব্যৱস্থাত প্ৰত্যেকজন ব্যক্তি সম অপৰিহাৰ্য অংশত পৰিণত হয়। প্ৰতিজনেই মা মৰ্যদা লাভ কৰে। সমাজতান্ত্ৰিক গণতন্ত্ৰত প্ৰধান কৰ্ত্তব্য হ'ল সংখ্যাগৰিষ্ঠ শ্ৰমজীৱি মানু ৰক্ষা কৰা। এই উদ্দেশ্যে শ্ৰমিক কৃষক

প্ৰতিনিধি হিচাপে সাম্যবাদী দলৰ নিৰ্দেশতে ৰাষ্ট্ৰ পৰিচালিত হয়। সাম্যবাদী দল আৰু জনগণৰ নিয়ন্ত্ৰণ চলাৰ বাবে কৰ্মচাৰী সকলে জনবিৰোধী কাম কৰিবলৈ বিশেষ সুবিধা নাপায়। তাৰোপৰি স্বাৰ্থান্বেষী (Interest group) গোষ্ঠীৰ প্ৰভাব বিস্তাৰৰ সুযোগো এই ব্যৱস্থাত অত্যন্ত সীমিত। ইয়াত শিক্ষা, সাহিত্য, শিল্প-সংস্কৃতি, বৈজ্ঞানিক কাৰ্য-কলাপ সমাজতান্ত্ৰিক আদৰ্শ অনুসৰি নিয়ন্ত্ৰিত হয়। এই ব্যৱস্থাত সুস্থ, স্বাভাৱিক আৰু প্ৰগতিশীল গণ-সংস্কৃতিৰ বিকাশ ঘটে। বিভিন্ন ভাষিক গোষ্ঠীৰ নিজৰ নিজৰ ভাষা, সাহিত্য, সংস্কৃতিৰ স্বকীয় স্বকীয় বৈশিষ্ট্যবোৰ ৰক্ষা আৰু বিকাশ কৰাৰ সুবিধা পায়। বৃহত্তৰ সংস্কৃতিয়ে আঞ্চলিক বা প্ৰান্তীয় সংস্কৃতিক গ্ৰাস কৰাৰ সুবিধা ইয়াত নাথাকে। এক নতুন মূল্যবোধৰ সূচনা হয়। কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ পৰা মানুহৰ মন মুক্ত হয়। জনগণৰ মাজত প্ৰগতিশীল ৰাজনৈতিক চেতনা আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰ ব্যাপক সম্প্ৰসাৰণ ঘটে। ইয়াৰ পৰিণতিতে সমাজতান্ত্ৰিক গণতান্ত্ৰিক ব্যৱস্থাতহে সৰ্বাঙ্গসুন্দৰ ধৰ্মনিৰপেক্ষ আৰু আধুনিক সমাজ গঢ়ি উঠিব পাৰে। সমাজতান্ত্ৰিক গণতন্ত্ৰই বিশ্বৰ বিভিন্ন অংশৰ সাম্ৰাজ্যবাদ আৰু ঔপনিবেশিকতাবাদৰ বিৰুদ্ধে মানুহৰ জাতীয় মুক্তি আন্দোলনক দৃঢ়ভাৱে সমৰ্থন কৰে। আচলতে সৰ্বহাৰাৰ আন্তৰ্জাতিকতা প্ৰতিষ্ঠা কৰাটো সমাজতান্ত্ৰিক গণতন্ত্ৰৰ এটা মূল লক্ষ্য।

সমাজতান্ত্ৰিক গণতন্ত্ৰৰ সমৰ্থক সকলে স্বতঃসিদ্ধ নিবন্ধন (Manifest Destiny) তত্ত্বৰ দুৰ্মোৰ বিৰোধীতা কৰে। Manifest Destiny তত্ত্বৰ সাৰমৰ্ম হ'ল— সভ্যতাৰ বিকাশৰ পথত অধিক আগবঢ়াসকল মানৱ সমাজৰ শ্ৰেষ্ঠ অংশ। গতিকে বিকাশত পিছপৰি থকা সকলৰ ওপৰত এই শ্ৰেষ্ঠ অংশটোৱে আধিপত্য স্থাপন কৰাটো এটা স্বতঃসিদ্ধ কথা। এই তত্ত্বৰ মতে শ্ৰেষ্ঠ সকলৰ পদদলিত হোৱাটো পিছপৰি থকাসকলৰ বাবে সৌভাগ্যৰ কথা, কাৰণ তাৰ ফলত পিছপৰি থকাসকল অধিক উন্নত সভ্যতাৰ পোহৰলৈ আহে।

এই তত্ত্বৰ মতে শ্ৰেষ্ঠ সকলে পিছপৰি থকা সকলক কৰ্তৃত্বাধীন কৰাটো সভ্যতাৰ বিকাশৰ গতিয়ে অৰ্পণ কৰা এটা পবিত্ৰ দায়িত্ব। মাৰ্ক্সবাদী সকলে এই ধৰণৰ আদৰ্শক নস্যাৎ কৰি প্ৰকৃত গণতান্ত্ৰিক পথেৰেহে সভ্যতাৰ গতি আগুৱাই নিব বিচাৰে। কিয়নো এনেকুৱা আদৰ্শ বা তত্ত্ববোৰ আৰ্থিক ভাবে পিছপৰা জাতিসমূহক পদদলিত কৰি সাম্ৰাজ্যবাদী শাসন-শোষণ চলোৱাৰ এটা অপকৌশলহে মাত্ৰ। পুঁজিবাদী সাম্ৰাজ্যবাদী শক্তিবোৰৰ সভ্যতাৰ আৰ্হিয়ে সভ্যতাৰ একমাত্ৰ জোখ বা আৰ্হি হ'ব নোৱাৰে। প্ৰতিটো জাতি আৰু আঞ্চলিক গোষ্ঠীৰে নিজস্ব নিজস্ব ভাষা, সংস্কৃতি, মূল্যবোধ ইত্যাদিবোৰৰ ৰক্ষা আৰু বিকাশৰ জৰিয়তেহে নিজস্ব সভ্যতাই গতি লাভ কৰিব পাৰে। ভাৰতত ইংৰাজ সাম্ৰাজ্যবাদৰ শাসন আৰু শোষণে

Manifest Destiny তত্ত্বৰ মিথ্যাচাৰক ভালকৈয়ে প্ৰমাণ কৰি গৈছে। বিশ্বায়নৰ নামত আৰ্থিক উদাৰীকৰণৰ মাধ্যমত কুৰি শতিকাৰ অন্তিম অংশৰ পৰা আকৌ সাম্ৰাজ্যবাদী শক্তিয়ে এই তত্ত্ব তৃতীয় বিশ্বৰ দেশবোৰত পূৰ্ণ-পয়োভৰেৰে চলোৱা দেখা গৈছে। সকলো ক্ষেত্ৰৰ পৰা সামাজিক নিয়ন্ত্ৰণক উচ্ছেদ কৰা অভিযান আৰম্ভ হৈছে। মানৱীয় মৰ্যদা জোখাৰ ভাৰ বজাৰক এৰি দিয়া পৰিলক্ষিত হৈছে। 'যোগ্য ভোগ্য বসুন্ধৰা নীতি'ক অতি কৌশলেৰে প্ৰচলন কৰা হৈছে। ফলত যান্ত্ৰিক সভ্যতাত উন্নত সাম্ৰাজ্যবাদী সকলৰ কৌশলপূৰ্ণ আক্ৰমণত পৃথিৱীৰ বিভিন্ন অঞ্চলৰ জাতীয় নাইবা পৰম্পৰাগত অৰ্থনীতি ভাঙি পৰাৰ উপক্ৰম হৈছে। বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতি আজি এক সংস্কৃতিলৈ গতি কৰাৰ সক্ৰিয় যত্ন চলিছে য'ত মাথো মুষ্টিমেয় সংখ্যক ধনী ৰাষ্ট্ৰৰ আধিপত্য চলিছে।

সমাজতান্ত্ৰিক গণতন্ত্ৰই এই আধিপত্যক কোনো প্ৰকাৰে মানি নলয়। ৰাষ্ট্ৰ নাইবা সামাজিক নিয়ন্ত্ৰণহীন এটা আৰ্থিক ব্যৱস্থাই সমাজত কেতিয়াও সমতা আৰু শান্তি আনিব নোৱাৰে। মুষ্টিমেয় এচাম মানুহৰ সুখ-স্বাচ্ছন্দ্যক কেতিয়াও সামাজিক সুখ বুলি গণ্য কৰিব নোৱাৰি। শোষণ আৰু বৈষম্যৰে পৰিপূৰ্ণ সমাজ এখনক সভ্য বা উন্নত বুলি ক'ব নোৱাৰি। নিবনুৱাৰে ভৰপূৰ, দৰিদ্ৰতাই জুৰুলা কৰা, মানসিক উত্তেজনাপূৰ্ণ, নৈতিকভাৱে স্খলিত সমাজ এখনক কেতিয়াও এখন উন্নত আধুনিক সমাজ বুলি ক'ব নোৱাৰি। সমাজতান্ত্ৰিক গণতন্ত্ৰই এই সকলোবোৰ সমস্যা সমাধানৰ বাস্তৱ কাৰ্যসূচী হাতত লয়। সমাজতান্ত্ৰিক গণতন্ত্ৰই পুঁজিবাদৰ সকলোবোৰ বিষাক্ত ফচল আতৰাই এখন শ্ৰেণীহীন শোষণহীন সকলো জাতিৰে সমবিকশিত দুৰ্নীতিমুক্ত সমাজ গঢ়াৰ প্ৰতিশ্ৰুতিৰে কাম কৰে। এখন সৰ্বাঙ্গসুন্দৰ সমাজ গঢ়াটোৱে মাৰ্ক্সীয় ধাৰণাৰ গণতন্ত্ৰৰ প্ৰধান লক্ষ্য।••

সহায়ক গ্ৰন্থপঞ্জী

1. Johari. J.C., Contemporary Political Theory, Sterning Publishers, New Delhi, 1989
2. Emol Burns, What is Marxism, N.B.A 2007.

# গণতন্ত্ৰৰ প্ৰত্যাহ্বান— সন্ত্ৰাসবাদ, বিশ্বসন্ত্ৰাসবাদ আৰু ইয়াৰ প্ৰতিৰোধ ব্যৱস্থা

পম্পী ৰাণী বৰ্মন, অংশকালীন প্ৰবক্তা,
ৰাজনীতি বিভাগ
কামৰূপ কলেজ, চামতা

সাম্প্ৰতিক সময়ত বিশ্বৰ ৰাজনৈতিক মঞ্চত গণতান্ত্ৰিক শাসন ব্যৱস্থাই জনপ্ৰিয়তা অৰ্জনৰ সময়ত জনগণৰ শান্তি-নিৰাপত্তাৰ প্ৰতি প্ৰত্যাহ্বান সৃষ্টি কৰা সমস্যাৰূপে গা কৰি উঠিছে শিহৰণ সৃষ্টিকাৰী সন্ত্ৰাসবাদ। বিচাৰ্য্য বিষয় যে সন্ত্ৰাসবাদে মাত্ৰ এখন ৰাষ্ট্ৰৰ নিৰাপত্তা আৰু স্থিৰতা ভংগ কৰিয়েই ক্ষান্ত আছেনে? মত প্ৰকাশ নকৰি নোৱাৰি যে সন্ত্ৰাসবাদে বৰ্তমান বিশ্বৰ আটাইবোৰ ৰাষ্ট্ৰৰ প্ৰতি ভাবুকি সৃষ্টি কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় শান্তি, নিৰাপত্তা ৰক্ষাৰ ক্ষেত্ৰত থিয় দিছে প্ৰত্যাহ্বানৰূপে। বৰ্তমান সময়ত শিহৰণকাৰী এই সন্ত্ৰাসবাদ সমস্যাই অক্টোপাছৰ দৰে সমগ্ৰ বিশ্বতে শিপা মেলাৰ ফলত সন্ত্ৰাসবাদ এতিয়া ৰাষ্ট্ৰৰ ভিতৰত সীমাবদ্ধ নহৈ গোটেই বিশ্বতে বিশ্ব সন্ত্ৰাসবাদৰূপে পৰিচয় বহন কৰি মানব-বিধ্বংসী অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োগৰদ্বাৰা বিশ্ব ত্ৰাস সৃষ্টি কৰি আছে।

বৰ্তমান কালত সীমা অতিক্ৰমি হোৱা সন্ত্ৰাসবাদেৰে (Cross border terrorism) সমগ্ৰ বিশ্ব জৰ্জৰিত। ভাৰতবৰ্ষও ইয়াৰপৰা আঁতৰত থকা নাই। এই প্ৰসংগত ভাৰত-পাকিস্তানৰ মাজত থকা কাশ্মীৰ সমস্যাৰ কথা উল্লেখ কৰি ক'ব পাৰোঁ যে দুয়োখন দেশৰ মাজত থকা কাশ্মীৰ সমস্যাৰ সুযোগ লৈ পাকিস্তানত থকা সন্ত্ৰাসবাদী সংগঠনবিলাকে অকল কাশ্মীৰক লক্ষ্য কৰিয়েই কুটাঘাতমূলক কাৰ্য্য সংঘটিত কৰাৰ উপৰিও ভাৰতবৰ্ষত অশান্তিৰ পৰিবেশ সৃষ্টি কৰি ভাৰতৰ স্থিৰতা হানি কাৰও তেওঁলোকৰ আন এটা উদ্দেশ্য।

সাতভনী নাম খ্যাত ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যবোৰেও সময়ে সময়ে বিভিন্ন সন্ত্ৰাসবাদী সংগঠনৰ সন্মুখীন হোৱাৰ ফলত শান্তি, নিৰাপত্তা, ঐক্যতা আদি বিঘ্নিত হৈ পৰিছে। বাৰেবৰণীয়া কৃষ্টিৰে ভৰপুৰ উত্তৰ পূৰ্বাঞ্চলৰ অসম ৰাজ্যত জাতীয় সশস্ত্ৰ শক্তিৰূপে 'আলফা' নামৰ বিদ্ৰোহী সংগঠনৰ উৎপত্তি স্বাধীন অসম বিচাৰি সৃষ্টি

কৰা বিদ্ৰোহৰ ঢৌৰ ফলতেই অসমত আৰম্ভ হৈছিল— সংঘৰ্ষ, ধন দাবী, আন্দোলন, বন্ধ ইত্যাদি। বৰ্তমান আলফাৰ অস্তিত্ব থাককেই বা নাথাকক ধন দাবী কৰি সহজতে ধন ঘটাৰ মানসিকতা কিন্তু এতিয়াও যুৱ প্ৰজন্মৰ মাজত প্ৰচলন আছে। ইয়াৰ উপৰিও ইংৰাজৰ হাতৰ পৰা ভাৰত জননীক মুক্ত কৰাৰ ৰাজনৈতিক উদ্দেশ্যেৰে ভাৰতৰ মহান নেতাসকলে ইংৰাজ বিষয়াক হত্যা কৰি, ৰেলগাড়ী বগৰাই ইত্যাদি ভিন্ন ধৰণে সন্ত্ৰাসৰ সৃষ্টি কৰি ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতবৰ্ষক স্বাধীন কৰাৰ পিছৰে পৰা ১৫ আগষ্টৰ দিনটো স্বাধীনতা দিৱস হিচাপে আমাৰ দেশ উদ্‌যাপন কৰা হয় যদিও ভাৰতবৰ্ষৰ অন্য ঠাইৰ দৰে অসমে নিৰ্ভয়ে এই দিৱসটোক সন্মান জনোৱাৰ বাবে আলফাৰ নামত চলাবলগীয়া হয় আৰক্ষীৰ নিশ্চিদ্ৰ তালাচী। 'স্বাধীনতা দিৱস'ৰ প্ৰতিৰূপ শব্দৰূপে 'আলফা দিৱস' শব্দ ব্যৱহাৰ কৰিলে নিশ্চয় ভুল কৰা নহ'ব। বিশেষকৈ ধেমাজী বিস্ফোৰণৰ কথা মনত পৰিলে স্বাধীনতা দিৱসৰ ভয়, আতংকই আমাৰ মনত ত্ৰাসৰ সৃষ্টি কৰে। ইয়াৰোপৰি অসম ৰাজ্যৰ বড়োভূমি, কাৰ্বিভূমি, উত্তৰ কাছাৰ পাৰ্বত্য জিলাত গা কৰি উঠা বিদ্ৰোহী সংগঠন ক্ৰমে এন.ডি.এফ.বি (NDFB), বি.এল.টি. (BLT), কে.পি.এল.টি. (KPLT), ডি.এইচ্.ডি. (DHD) আদি গোটসমূহে অসমৰ ভিন্ন ঠাইত কূটাঘাত সৃষ্টিৰে নাগৰিক অধিকাৰ খৰ্ব কৰিছে। এই ক্ষেত্ৰত বড়োভূমি কোকৰাঝাৰত বড়োসকলে সশস্ত্ৰ বিদ্ৰোহী দলসমূহৰ সহযোগত আন জনগোষ্ঠীৰ লোকসকলক কৰা বৰ্বৰতাৰে বি.টি.এ.ডি. এৰি যাবলৈ বাধ্য কৰা ঘটনা উল্লেখযোগ্য। সেইদৰে মিজোৰামক পৃথক ৰাষ্ট্ৰৰ দাবীত লালডেংগাৰ নেতৃত্বত গঠন হৈছে বিদ্ৰোহী সংগঠন এম. এন. এফ (MNF) আৰু পৃথক নাগালীমৰ দাবীত নাগালেণ্ডত গঠিত হৈছে NSCN(IM) আৰু NSCN (K).

সাম্প্ৰতিক সময়ত ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ দুটা ভাগ ক্ৰমে ৰাষ্ট্ৰ আহিলা ব্যৱহৃত সন্ত্ৰাসবাদ (State Instrumental Terrorism) আৰু ৰাষ্ট্ৰ পৃষ্ঠপোষিক সন্ত্ৰাসবাদ (State Sponsored Terrorism) নামে দুই প্ৰকাৰৰ সন্ত্ৰাসবাদে জনসাধাৰণৰ লগতে ৰাষ্ট্ৰৰ প্ৰতি আতংকৰ সৃষ্টি কৰি জনসাধাৰণৰ জীৱনৰ অধিকাৰৰ উলংঘন কৰাৰ লগতে ৰাষ্ট্ৰীয় শান্তিত ব্যাঘাত জন্মাইছে। উগ্ৰপন্থীৰ অভিযানৰ নামত পুলিচ মিলিটাৰীয়ে ভুৱা সংঘৰ্ষৰ সৃষ্টি কৰি জনসাধাৰণৰ মনত সৃষ্টি কৰা সন্ত্ৰাস ৰাষ্ট্ৰ আহিলা ব্যৱহৃত সন্ত্ৰাসবাদৰ উৎকৃষ্ট উদাহৰণ। দ্বিতীয়তে ৰাষ্ট্ৰপৃষ্ঠপোষিক সন্ত্ৰাসবাদ ৰূপে পাকিস্তানী আই. এছ. আই (ISI) ৰ কথা উনুকিয়াব পাৰোঁ। পাকিস্তানী আই. এছ. আই. (ISI) এ কাশ্মীৰৰ কিছুমান উগ্ৰপন্থী গোটক সহায়-সাহায্য, আশ্ৰয়, প্ৰশিক্ষণ, তথ্য আদি যোগান ধৰি ভাৰতৰ ভূমিত সন্ত্ৰাসবাদ চলাবলৈ উচতনি যোগাই আছে বুলি ভাৰত চৰকাৰে প্ৰমাণসহ দাবী উত্থাপন কৰিছে।

বিভিন্ন উদ্দেশ্যে অক্টোপাছৰ দৰে শিপা মেলি ভিন্ন দেশক ভীতিগ্ৰস্থ কৰা বিশ্ব সন্ত্ৰাসবাদে কুৰি

শতিকাৰ মাজ ভাগৰ পৰা বিকাশ লাভ কৰে। ১৯৪৮ চনত পেলেষ্টাইন বিভাজনেৰে ইহুদীসকলৰ বাবে ইজৰাইল নামেৰে এখন নতুন ৰাষ্ট্ৰ গঠন কৰা হৈছিল যদিও পেলেষ্টাইন প্ৰতিষ্ঠাৰ লক্ষ্যৰে ইজৰাইল ধ্বংস কৰিবলৈ সন্ত্ৰাসবাদৰ পোষকতা কৰাৰে পৰা বিশ্ব সন্ত্ৰাসবাদৰ সৃষ্টি হোৱা বুলি কোৱা হয়। সমসাময়িক সময়ত ওছামা বিন লাডেনৰ নেতৃত্বত আল-কায়দা নামৰ আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠনটোৱে আমেৰিকাত চলোৱা ধ্বংসলীলা বিশ্ব ইতিহাসত এক বিশ্ব ত্ৰাস ২০০১ চনৰ ১১ ছেপ্তেম্বৰত আল-কায়দাই আমেৰিকাত অৱস্থিত 'বিশ্ব-বাণিজ্য কেন্দ্ৰ' আৰু সামৰিক বাহিনীৰ মুখ্য কাৰ্য্যালয় 'পেন্টাগণ' আক্ৰমণৰ ফলত আমেৰিকাৰ ক্ষতিৰ পৰিমাণ, নিৰীহ জনতাৰ মৃত্যুৰ সংখ্যা আছিল বিস্তৰ। ইয়াৰোপৰি 'আল কায়দা'ই স্পেইনৰ মাদ্ৰিদতো চলন্ত ৰেলগাড়ীত বোমা বিস্ফোৰণ কৰি বহুতো লোকৰ প্ৰাণ কাঢ়ি লোৱাৰ লগতে আন বহুতো লোক গুৰুতৰভাৱে আহত হৈছিল। আল-কায়দাই আমেৰিকাত চলোৱা আতংকৰ পিছত আমেৰিকাই বিশ্ব সন্ত্ৰাসবাদৰ প্ৰসাৰত অৰিহণা যগোৱাৰ সন্দেহত ইৰাক আক্ৰমণ কৰি ছাদ্দাম হুছেইনক ক্ষমতাৰ পৰা অপসাৰণ কৰে যদিও এতিয়াও সন্ত্ৰাসবাদীৰ ত্ৰাসৰপৰা ইৰাক মুক্ত হ'ব পৰা নাই আৰু এই সন্ত্ৰাসবাদী গোটসমূহে বিশ্বব্যাপী সন্ত্ৰাসবাদী কাৰ্য্য সংগঠিত কৰাৰ বাবে পৰিকল্পনা ৰচনা কৰিছে। বিশ্ব সন্ত্ৰাসবাদী গোটসমূহক এতিয়া ৰাষ্ট্ৰীয় কৰ্তৃত্ববিৰোধী আন্দোলন হিচাপে গণ্য কৰা হয়। ইয়াৰ ভিতৰত এল.টি.টি.ই, আইৰিচ ৰিপাব্লিকান আৰ্মি, খালিস্তান লিবাৰেচন ফ্ৰ'ন্ট আদি উল্লেখযোগ্য। ইছলামিক ষ্টেট (IS) নামৰ দুৰ্ধৰ্ষ সংগঠনটোৱেও ক্ৰমশঃ মধ্যপ্ৰাচ্যৰ বাহিৰেতো সমৰ্থন লাভ কৰিবলৈ লৈছে। শেহতীয়াকৈ ফিলিপাইনছকে আদি কৰি অন্যান্য ৰাষ্ট্ৰতো অন্য সন্ত্ৰাসবাদী সংগঠনৰপৰা সংগঠনটোৱে সমৰ্থন লাভ কৰিছে। বৰ্তমান মুছলমান অধ্যুষিত ইণ্ডোনেছিয়া আৰু মালয়ছিয়াৰ উপৰি ফিলিপাইনছৰপৰা কমেও ১০০ জন যুৱকে আই এছত যোগদান কৰা বুলি নিৰাপত্তা সংস্থাৰ সন্দেহ। অৱশ্যে আমেৰিকাৰ নেতৃত্বত অষ্ট্ৰেলিয়া, কানাডাই আই এছ ৰ বিৰুদ্ধে যুঁজত সহযোগিতা আগবঢ়াব।

সন্ত্ৰাসবাদীৰ কূটাঘাতত ইতিমধ্যে ভাৰতবৰ্ষই বিস্তৰ ধন-জন হেৰুৱাইছে। সন্ত্ৰাসবাদ নামৰ এই বিষবৃক্ষৰ শিপা এতিয়া নতুন নতুন ঠাইলৈ বিয়পি পৰিছে। শেহতীয়াকৈ ভাৰতকে ধৰি দক্ষিণ এছিয়াত বিশ্বত্ৰাস সন্ত্ৰাসবাদী সংগঠন আল কায়দাই নিজৰ শাখা খুলিবলৈ উদ্যোগ লোৱাৰ সময়ত অসমতো সংগঠনটোৱে কূটাঘাতৰ লক্ষ্য কৰিছে। আন্তঃৰাষ্ট্ৰীয় মৌলবাদী সংগঠনটোৱে ভাৰতৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰাৰ এমাহৰ পিছতেই এই আতংকই সমগ্ৰ দেশৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক গ্ৰাস কৰিছে। অসমক লৈ মৌলবাদী সংগঠনটোৱে এতিয়া অধিক তৎপৰ হোৱা বুলি এতিয়া সমগ্ৰ অসমবাসীয়ে জ্ঞাত। শেহতীয়াকৈ

বৰপেটাত গ্ৰেপ্তাৰ হোৱা জামাতুল মুজাহিদীন, কেইদিনমানপূৰ্বে পশ্চিমবংগৰ বৰ্ধমানত নিজে নিৰ্মাণ কৰা আই.ই.ডিৰ বিস্ফোৰণত আল কায়দাৰ হৈ কাম কৰা ইণ্ডিয়ান মুজাহিদীনৰ দুজন সদস্য নিহত হোৱা ঘটনাৰ পৰা স্পষ্ট হৈ পৰে যে পশ্চিমবংগক আশ্ৰয়স্থলী হিচাপে লৈয়ে মৌলবাদী সংগঠনটোৱে অসমৰপৰা নাতি দূৰৈত পশ্চিমবংগত বাহৰ পাতি অসমত কূটাঘাত সৃষ্টিৰ পৰিকল্পনা যুগুত কৰিছে। ইয়াৰ বিপৰীতে কিন্তু অসম চৰকাৰে আল-কায়দাৰ ভাবুকিৰ প্ৰতি কোনো ব্যৱস্থা গ্ৰহণ কৰা দৃষ্টিগোচৰ হোৱা নাই।

গণতন্ত্ৰৰ সাফল্যত হেঙাৰৰূপে থিয় হোৱা এই সন্ত্ৰাসবাদ মানুহৰ স্বাধীনতা, নিৰাপত্তা আদিৰ ক্ষেত্ৰত অভিশাপস্বৰূপ। অৱশ্যে বিশ্ব সন্ত্ৰাসবাদ ৰোধ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘই সময়ে সময়ে বিভিন্ন পদক্ষেপ হাতত লৈছে। ৰাষ্ট্ৰসংঘই সন্ত্ৰাসবাদ ৰোধ কৰাৰ বাবে ৰাষ্ট্ৰসমূহৰ মাজত সহযোগিতা সৃষ্টিৰ বাবে ভিন্ন ধৰণৰ ক'নভেনচন, ঘোষণা পত্ৰ আদিৰ ব্যৱস্থা কৰিছে। ইয়াৰ ভিতৰত "পণবন্দীকৰণ বিৰোধী ক'নভেনচন" (Convention Against Taking Hostage), "সন্ত্ৰাসবাদ নিৰ্মূলকৰণৰ ব্যৱস্থাৱলীৰ ঘোষণাপত্ৰ" (Declaration on Measure to eliminate Terrorism)ৰ নাম উল্লেখ কৰিব পাৰোঁ। সন্ত্ৰাসবাদ ৰোধ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় স্তৰত সংশ্লিষ্ট ৰাষ্ট্ৰই ইয়াক গজালিতে নাশ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ লগতে শক্তিশালী জনমত গঠন কৰা ৰাষ্ট্ৰৰ দায়িত্ব হ'ব লাগে। কিয়নো দেশৰ জনসাধাৰণৰ সমৰ্থন নাপালে সন্ত্ৰাসবাদে সেই ৰাষ্ট্ৰত ভেঁটি স্থাপন কৰিব নোৱাৰে। ফলত ৰাষ্ট্ৰীয় ভিত্তিত সন্ত্ৰাসবাদ নিৰ্মূল হ'লে ই বিশ্ব সন্ত্ৰাসবাদত পৰিণত হ'ব নোৱাৰে। শেহতীয়াকৈ অসমক আল-কায়দাৰ কূটাঘাতমূলক আক্ৰমণৰপৰা ৰক্ষা কৰাৰ বাবে অসমৰ জনপ্ৰিয় প্ৰভাৱগোষ্ঠী দল হিচাপে সদৌ অসম ছাত্ৰ সন্থাই গ্ৰহণ কৰা পদক্ষেপ প্ৰশংসনীয়। সদৌ অসম ছাত্ৰ-সন্থাৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য, সাধাৰণ সম্পাদক তপন কুমাৰ গগৈ, শিক্ষাবিদ বসন্ত ডেকা আৰু নিৰেন ডেকা সমন্বিতে ছাত্ৰ-সন্থাৰ প্ৰতিনিধি দলটোৱে নতুন দিল্লীত কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী কিৰেণ ৰিজিজু দেৱক সাক্ষাৎ কৰি অসমত আল-কায়দা আৰু আন আন মৌলবাদী সন্ত্ৰাসবাদী গোটবোৰে চলাই থকা ৰাষ্ট্ৰদ্ৰোহী কাৰ্যকলাপৰ ক্ষেত্ৰত কঠোৰ শাস্তি আৰু নিশ্চিত ব্যৱস্থা ল'বলৈ দাবী জনায়। সৰ্বশেষত উল্লেখ কৰিব পাৰোঁ যে বিশ্বত বিশ্বশান্তি, নিৰাপত্তা, ৰাজনৈতিক সুস্থিৰতা, ৰাষ্ট্ৰীয় অখণ্ডতা আদি ৰক্ষা কৰিবলৈ হ'লে সন্ত্ৰাসবাদৰ বিৰুদ্ধে বিশ্বৰ সৰু-বৰ আটাইবোৰ ৰাষ্ট্ৰই পৰস্পৰে পৰস্পৰৰ লগত সহযোগিতা স্থাপন কৰাটো বাঞ্চনীয়।••

বিঃ দ্ৰঃ (বিভিন্ন বাতৰি কাকত আৰু প্ৰবন্ধৰ পৰা সহায় লোৱা হৈছে)

# সহস্ৰাব্দ বিকাশৰ লক্ষ্য

গায়ত্ৰি দত্ত, প্ৰাক্তন ছাত্ৰী
ৰাজনীতি বিজ্ঞান বিভাগ
কামৰূপ কলেজ, চামতা
বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী

2000 চনত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰসংঘৰ সহস্ৰাব্দৰ সন্মিলনত ৰাষ্ট্ৰৰ নেতাসকলে "সহস্ৰাব্দৰ ঘোষণা" নামেৰে এখন ঘোষণা-পত্ৰ প্ৰকাশ কৰে আৰু এই ঘোষণাৰ দ্বাৰা কুৰি শতিকাৰ বিশ্বখন অধিক উন্নত আৰু নিৰাপদ কৰাৰ কাৰণে ৰাষ্ট্ৰনেতাসকলে শপত লয়। সহস্ৰাব্দৰ ঘোষণাত কিছুমান সময় নিৰ্দ্দিষ্ট বিকাশৰ লক্ষ্য সন্নিবিষ্ট কৰা হয়। এই বিকাশৰ লক্ষ্য সমূহকে সহস্ৰাব্দ বিকাশৰ লক্ষ্য বোলা হয়। ৰাষ্ট্ৰসংঘৰ 193 খন সদস্য ৰাষ্ট্ৰ আৰু 23 টা আন্তঃৰাষ্ট্ৰীয় সংস্থাই 2015 চনৰ ভিতৰত এই লক্ষ্যসমূহ পূৰণ কৰাৰ বাবে সন্মতি প্ৰদান কৰে। সহস্ৰাব্দ বিকাশৰ লক্ষ্যৰ মূল উদ্দেশ্য হৈছে— ৰাষ্ট্ৰীয় পদক্ষেপ আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ ভিত্তিত শিশু, মহিলা আৰু পুৰুষৰ বাবে সৰ্বত্ৰ খাদ্য, শিক্ষা, স্বাস্থ্যৰ যতন আৰু অৰ্থনৈতিক সুযোগৰ ব্যৱস্থা কৰা। লগতে বিশ্বৰ আটাইতকৈ দুখীয়া দেশসমূহৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ বিকাশ তৰান্বিত কৰা।

সহস্ৰাব্দ বিকাশৰ লক্ষ্যৰ মূল ভিত্তি হৈছে ৰাষ্ট্ৰসংঘৰ সহস্ৰাব্দ ঘোষণা। সহস্ৰাব্দ বিকাশৰ লক্ষ্যই মূলতঃ আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তাৰ ক্ষেত্ৰত নিৰাপত্তাৰ অপৰাম্পৰগত দিশসমূহৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। সহস্ৰাব্দ বিকাশৰ লক্ষ্যই মূলতঃ 3 টা প্ৰধান পদক্ষেপক সামৰি লয়। সেইবোৰ হ'ল—

**(a) মানব সম্পদৰ প্ৰকৃত মূল্য নিৰূপণ :** সহস্ৰাব্দ বিকাশৰ লক্ষ্যই মানব সম্পদ সমূহক প্ৰকৃত অৰ্থত ব্যৱহাৰ কৰাৰ উদ্দেশ্যে বিভিন্ন দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। যেনে : স্বাস্থ্যৰ যত্ন, উপযুক্ত পুষ্টি সাধন, শিশুৰ মৃত্যুৰ হাৰ কমোৱা, HIV, যক্ষ্মা আৰু মেলেৰিয়াৰ দৰে মহামাৰীৰ পৰা জনসাধাৰণক ৰক্ষা কৰা আৰু শিক্ষাৰ প্ৰসাৰ সাধন কৰা।

**(b) আন্তঃগাঁথনিৰ উন্নতি সাধন :** সহস্ৰাব্দ বিকাশৰ লক্ষ্যই আন্তঃগাঁথনিৰ উন্নতি সাধনৰ ওপৰতো গুৰুত্ব

প্ৰদান কৰিছে। ইয়াৰ বাবে তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিসাধন, উপযুক্ত শক্তি উৎপাদন, যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিসাধন, বিশুদ্ধ খোৱাপানী যোগানৰ ব্যৱস্থা কৰাৰ লগতে সমূহ বিকাশক বা আন্তঃগাঁথনিবোৰক পৰিবেশ মৈত্ৰী কৰি গঢ়ি তোলা।

**(c) সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰ ঃ** সহস্ৰাব্দ বিকাশৰ লক্ষ্যই জনসাধাৰণৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। ইয়াৰ বাবে মহিলাৰ সবলীকৰণ, সংঘৰ্ষৰ উপশম, ৰাজনৈতিক ক্ষেত্ৰত জনসাধাৰণৰ সিদ্ধান্তক গুৰুত্ব প্ৰদান, ৰাজহুৱা সেৱা সমূহত সমূহ জনসাধাৰণৰ যোগদানৰ সম সুবিধা প্ৰদানৰ লগতে সম্পত্তিৰ নিৰাপত্তাৰ অধিকাৰক সুৰক্ষিত কৰাৰ ওপৰতো সহস্ৰাব্দ বিকাশৰ লক্ষ্যই গুৰুত্ব প্ৰদান কৰে।

সহস্ৰাব্দ বিকাশৰ লক্ষ্যত মুঠ আঠটা প্ৰধান লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। লক্ষ্যবোৰ হৈছে—

1. চূড়ান্ত দৰিদ্ৰতা আৰু ক্ষুধা নিৰ্মূল কৰা।
2. সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰা।
3. লিঙ্গ সমতাৰ উন্নীতকৰণ আৰু নাৰীৰ সবলীকৰণ কৰা।
4. শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰা।
5. মাতৃৰ স্বাস্থ্যৰ উন্নতি কৰা।
6. এইচ. আই. ভি. / এইড্ছ, মেলেৰিয়া আৰু অন্যান্য ৰোগ প্ৰতিৰোধ কৰা।
7. বহনক্ষম পৰিবেশ সুনিশ্চিত কৰা।
8. উন্নতিৰ বাবে বিশ্বজনীন মিত্ৰতাৰ বিকাশ কৰা।

**সহস্ৰাব্দ বিকাশৰ লক্ষ্যৰ সীমাবদ্ধতা ঃ**

সহস্ৰাব্দ বিকাশৰ লক্ষ্যই বিকাশৰ প্ৰায়বোৰ দিশকে সামৰি লৈছে যদিও ইয়াৰ কিছুমান সীমাবদ্ধতা আছে। সহস্ৰাব্দ বিকাশৰ লক্ষ্যই মুঠ আঠটা লক্ষ্য নিৰ্ধাৰণ কৰি লৈছে। কিন্তু আন কিছুমান গুৰুত্বপূৰ্ণ লক্ষ্যক ইয়াৰ অন্তৰ্গত কৰা নহ'ল কিয় এই লৈ প্ৰশ্ন উত্থাপন হোৱা দেখা যায়। সহস্ৰাব্দ বিকাশৰ লক্ষ্যই বিকাশৰ ক্ষেত্ৰত কিছুমান গুৰুত্বপূৰ্ণ দিশক উপেক্ষা কৰিছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

(a) সহস্ৰাব্দ বিকাশৰ লক্ষ্যই কৃষিক্ষেত্ৰত প্ৰগতি সাধনৰ বাবে কোনো বিশেষ লক্ষ্য নিৰ্ধাৰণ কৰা নাই। কিন্তু পৃথিৱীৰ বেছি সংখ্যক লোক কৃষি লগতেই জড়িত।

(b) সহস্ৰাব্দ বিকাশৰ লক্ষ্যই প্ৰাথমিক শিক্ষাত সকলোৰে অংশগ্ৰহণ আৰু সমাপ্তিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে। অৰ্থাৎ MDG-এ প্ৰাথমিক শিক্ষাৰ সংখ্যাগত মানদণ্ডৰ ওপৰত গুৰুত্ব দিছে। কিন্তু প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ডক গুৰুত্ব দিয়া নাই যাৰ ফলত অনেক দেশতে গুণগতভাৱে অৰ্হতা অৰ্জন নকৰা লোকেও প্ৰাথমিক শিক্ষা সমাপ্ত কৰিছে।

(c) MDG– ত সন্নিবিষ্ট কিছুমান লক্ষ্য বিশেষকৈ

স্বাস্থ্য সম্পৰ্কীয় লক্ষ্যসমূহৰ অগ্ৰগতিৰ মাপ লোৱাটো যথেষ্ট কঠিন। এই সম্পৰ্কীয় তথ্য সংগ্ৰহ কৰিবলৈ যিবোৰ সমীক্ষাৰ ব্যৱহাৰ কৰা হয়; তাৰে প্ৰায়বোৰ নিৰ্ভৰযোগ্য নহয়।

(d) MDG– এ ধৰি লয় যে লক্ষ্যসমূহৰ প্ৰাপ্তি দেশসমূহৰ সদিচ্ছাৰ ওপৰত সম্পূৰ্ণভাৱে নিৰ্ভৰশীল আৰু ই দেশসমূহৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশটো সম্পূৰ্ণৰূপে উপেক্ষা কৰে। দেশৰ সামৰ্থতা বৃদ্ধি নকৰাকৈ সহস্ৰাব্দ বিকাশৰ লক্ষ্যসমূহ আহৰণ কৰাটো সম্ভৱ নহয়। কিন্তু সহস্ৰাব্দ বিকাশৰ লক্ষ্যত দেশৰ সামৰ্থতা বৃদ্ধিৰ বাবে ল'ব লগা ব্যৱস্থাৰ কোনো উল্লেখ নাই।

(e) MDG– ত বিকাশৰ ক্ষেত্ৰত সমতা স্থাপনৰ কোনো উদ্দেশ্য নিৰ্ধাৰণ কৰা হোৱা নাই। দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত দেশ এখনৰ ভিতৰতে বিভিন্ন জনসমষ্টি বা অঞ্চলৰ মাজত অসমতা পৰিলক্ষিত হয়। গতিকে ইয়াৰ পৰিপ্ৰেক্ষিতত দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত এক প্ৰকাৰৰ সমতা স্থাপন কৰাটো গুৰুত্বপূৰ্ণ হৈ পৰিছে।

(f) MDG– এ দৰিদ্ৰতা নিৰ্মূলৰ খতিয়ান লোৱাৰ বাবে আৰু এই লক্ষ্যসমূহ পূৰণ কৰাৰ বাবে কিছুমান নীতি নিৰ্দেশনা আগবঢ়ালেও সহস্ৰাব্দৰ ঘোষণাত সন্নিবিষ্ট আদৰ্শসমূহ বাস্তৱত ৰূপায়িত কৰাৰ বাবে প্ৰয়োজনীয় সকলো উপাদান ইয়াত নাই।

এইবোৰৰ উপৰিও বহুতে এনেকুৱা নিৰ্দিষ্ট লক্ষ্যভিত্তিক বিকাশৰ আৰ্হিৰ যুক্তিযুক্ততা সম্পৰ্কেও প্ৰশ্নৰ উত্থাপন কৰিছে।

**সহস্ৰাব্দ বিকাশৰ লক্ষ্যৰ সফলতা আৰু বিফলতা :**

সহস্ৰাব্দ বিকাশৰ লক্ষ্যই মানব বিকাশৰ মূল্যায়নৰ বাবে উপাৰ্জনৰ সলনি বিকল্প ধাৰণাৰ প্ৰৱৰ্তন কৰি মানব বিকাশত বিশেষ সহায় আগবঢ়াইছে। সহস্ৰাব্দ বিকাশৰ লক্ষ্যৰ ক্ষেত্ৰত মানব বিকাশৰ মূল্যায়ণ উপাৰ্জনৰ সলনি স্বাস্থ্য, শিক্ষা, পৰিবেশ, প্ৰযুক্তি আদি সূচাংকৰ ওপৰত ভিত্তি কৰি কৰা হয়। অৱশ্যে সহস্ৰাব্দ বিকাশৰ লক্ষ্যত দেশসমূহৰ সফলতা সমান নহয়। ইয়াৰ কিছুমান দেশে অনেক ক্ষেত্ৰত সফলতা লাভ কৰাৰ বিপৰীতে আন কিছুমান দেশে অনেক ক্ষেত্ৰতে সফলতা লাভ কৰিব পৰা নাই। উদাহৰণ স্বৰূপে MDG–ত ব্ৰাজিলে যথেষ্ট সফলতা লাভ কৰিছে। তাৰ পৰিবৰ্তে বেনিন নামৰ ৰাষ্ট্ৰখনে একো ক্ষেত্ৰতেই সফলতা লাভ কৰিব পৰা নাই। MDG–ৰ অন্তৰ্গত ৰাষ্ট্ৰবোৰে দৰিদ্ৰতা নিৰ্মূলকৰণত বিশেষ সফলতা লাভ কৰিছে। ইয়াৰ অন্যতম অংশীদাৰ হ'ল চীন আৰু ভাৰত। কিন্তু আফ্ৰিকাৰ দেশসমূহে এই ক্ষেত্ৰত বিশেষ সাফল্য অৰ্জন কৰিব পৰা নাই।

বিশেষ অৰ্থনৈতিক সফলতা লাভ কৰিব

নোৱাৰিলেও MDG–ৰ চতুৰ্থ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত বাংলাদেশে যথেষ্ট সফলতা অৰ্জন কৰিছে। বাংলাদেশে সৰু আইৰ চিতা প্ৰয়োগ কৰিয়েই শিশুৰ মৃত্যুৰ হাৰ যথেষ্ট হ্ৰাস কৰিবলৈ সক্ষম হৈছিল।

MDG–ৰ সপ্তম লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত কোনো ৰাষ্ট্ৰই বিশেষ সফলতা অৰ্জন কৰিব পৰা নাই। এতিয়াও পৃথিৱীৰ অনেক জনসাধাৰণে নিম্নতম অনাময় ব্যৱস্থা তথা বিশুদ্ধ খোৱাপানীৰ অভাৱত জীৱন নিৰ্বাহ কৰি আছে। অৱশ্যে এই ক্ষেত্ৰত কিছুমান বেচৰকাৰী সংস্থাই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। MDG ৰ অষ্টম লক্ষ্যটো মূলতঃ ৰাষ্ট্ৰসমূহৰ দায়বদ্ধতাৰ ওপৰত নিৰ্ভৰশীল। কিন্তু সৰহ সংখ্যাক ৰাষ্ট্ৰই গোলকীয় অংশীদাৰিত্বৰ ধাৰণাক অতিকৈ কম সম্মান প্ৰদান কৰে।

2010 চনত MDG ৰ সফলতা সমূহ পৰীক্ষণৰ বাবে আন এক সন্মিলন অনুষ্ঠিত কৰা হৈছিল। এই সন্মিলনত নিৰ্ধাৰণ কৰা হৈছিল যে যিবোৰ লক্ষ্যত 2015 চনত উপনীত হ'ব পৰা নাযায় সেইবোৰ পৰৱৰ্তী সময়ত উপনীত হ'বৰ বাবে "Post 2015 Development Agenda" নামেৰে কাৰ্য্যব্যৱস্থা গ্ৰহণৰ বাবে সন্মতি প্ৰকাশ কৰিছিল। ইয়াৰ বাবে 2012 চনত ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান বেন কি মুনে চৰকাৰী নেতা, ব্যক্তিগত প্ৰতিষ্ঠান আৰু নাগৰিক সমাজৰ 26 টা সংগঠনক নিযুক্তি প্ৰদান কৰি এই ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱাৰ বাবে ব্যৱস্থা কৰিছে।◆◆

<u>সহায়ক গ্ৰন্থপুঞ্জী ঃ</u>

1. পাল, নায়ক, পাটগিৰি, ড° কৃপেশ চন্দ্ৰ, প্ৰতুল চন্দ্ৰ, ৰুবুল ঃ আন্তৰ্জাতিক সম্পৰ্ক, অৰুণ প্ৰকাশন।

# নাৰী নিৰ্যাতন আৰু ইয়াৰ প্ৰতিৰোধৰ উপায়

ভাস্কৰ জ্যোতি ডেকা, পঞ্চম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ
কামৰূপ কলেজ, চামতা

আৰম্ভণি ঃ সাম্প্ৰতিক সময়ত এটা অতি গুৰুত্বপূৰ্ণ, স্পৰ্শকাতৰ তথা বহুচৰ্চিত আৰু সৰ্বত্ৰ আলোচ্য বিষয় হ'ল নাৰী নিৰ্যাতন। নাৰী অৰ্থাৎ মহিলাৰ ইচ্ছা, স্বাধীনতা, প্ৰয়োজনীয়তা আদিক মানসিক আৰু শাৰীৰিক ভাৱে বাধা প্ৰদান কৰা কাৰ্যকে আমি সাধাৰণতে নাৰী নিৰ্যাতন বুলি গণ্য কৰো। অৱশ্যে ই পুৰুষৰ দ্বাৰা অথবা নাৰীৰ দ্বাৰা নাৰীৰ ওপৰত কৰা কাৰ্যও হ'ব পাৰে। আমাৰ সমাজত যিহেতু নাৰী আৰু পুৰুষ উভয়ে উভয়ৰ বাবে প্ৰয়োজনীয় সেয়েহে পুৰুষ বা মহিলা কোনো এটাৰ ওপৰত সৃষ্টি হোৱা সমস্যাই হ'ল সমগ্ৰ সমাজৰ সমস্যা।

নাৰীৰ ওপৰত চলা নিৰ্যাতন বৰ্তমান সময়ত সৃষ্টি হোৱা সমস্যা নহয়। অতীতৰে পৰা এফালে নাৰীক দেৱী ৰূপে পূজি সমাজত আগস্থান দিয়াৰ নজিৰ আছে যদিও আনফালে নাৰীক দাসী বা পণ্য সামগ্ৰীৰ ৰূপত ব্যৱহাৰ কৰাৰ সাক্ষ্যও আমি পাও। উদাহৰণ স্বৰূপে ৰজা হৰিশ্চন্দ্ৰই স্বাৰ্থ সিদ্ধিৰ বাবে নিজ পত্নীকে ব্ৰাহ্মণৰ ওচৰত বিক্ৰী কৰিছিল। ইয়াৰ উপৰিও প্ৰাচীন ভাৰতত গণিকা বৃত্তি প্ৰচলনৰ কথা প্ৰাচীন শাস্ত্ৰাদিত স্পষ্টভাৱে উল্লেখ আছে। "অৰ্থশাস্ত্ৰ"ত উল্লেখ কৰা হৈছে যে ৰজাই দেশত গণিকাসকলক চোৱা-চিতা কৰিবলৈ এগৰাকী 'গণিকাধ্যক্ষ' নিয়োগ কৰিছিল। "অৰ্থশাস্ত্ৰত"ত নিৰ্দেশ দিয়া হৈছেঃ "ৰজাৰ আদেশ সত্বেও যদি গণিকাই কোনো পুৰুষৰ ওচৰলৈ নাযায়, তাইক এহেজাৰ বেতৰ কোব মাৰিব, অথবা পাঁচ হেজাৰ পন দণ্ড কৰিব"। এই কথাই প্ৰমাণ কৰে যে প্ৰাচীন কালত নাৰীৰ ওপৰত কি নিৰ্যাতন চলিছিল। অৱশ্যে কোনো কোনো সময়ত নাৰীয়ে বীৰত্ব তথা সমাজত আগস্থান পোৱাৰ কথাও আমি জানিবলৈ পাও যদিও বেছিভাগ সময়ত বেছিভাগ নাৰীয়ে নিৰ্যাতনৰ বলি হ'ব লগা হৈ আহিছে। গতিকে আমি ক'ব পাৰো যে অতীততো নাৰী নিৰ্যাতন চলিছিল, এতিয়াও চলি আছে, কেৱল পৰিবৰ্তন হৈছে সময় আৰু

নিৰ্যাতনৰ প্ৰকৃতিৰ।

**নাৰী নিৰ্যাতনৰ দুটামান দিশ ঃ**

জন্ম হোৱাৰ পিছৰে পৰা মৃত্যুৰ মুহূৰ্তলৈ নাৰী সকল বিভিন্ন ধৰণে লাঞ্ছিত-বঞ্চিত তথা নিৰ্যাতিত হৈ অহাৰ দুটামান দিশ তলত উল্লেখ কৰা হ'ল—

১। পৰম্পৰাগত সংস্কৃতিয়েও নাৰীক/মহিলাক সামগ্ৰী হিচাপেহে চায়। উদাহৰণ স্বৰূপে কন্যা সন্তানক কোৱা হয় "পৰৰ ধন"— কন্যা হ'লে দানলৈ। কোনো মহিলাই ছোৱালী সন্তান জন্ম দিলে বেছিভাগৰে শাহু-শহুৰে অসন্তুষ্টি প্ৰকাশ কৰে। ছোৱালীৰ তুলনাত ল'ৰা সন্তান জন্ম হ'লে অধিক গুৰুত্ব দিয়ে। ছোৱালীক আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰোৱাবলৈও ইচ্ছা প্ৰকাশ নকৰে।

২। বিয়াৰ পিছতো বহু মহিলা প্ৰতিদিনেই স্বামীৰ বলপূৰ্বক যৌন কামনাৰ বলি হয়। ফলত বহু মহিলাই অনাকাংক্ষিত মাতৃত্বৰ বোজা বহন কৰিব লগা হয়। কোনো কোনো ক্ষেত্ৰত বহু মহিলা অনাকাংক্ষিত মাতৃত্বৰ পৰা উদ্ধাৰ পাবলৈ স্বামীৰ প্ৰৰোচনাত পৰি বাৰম্বাৰ গৰ্ভপাতৰ সন্মুখীন হৈ ভগ্ন আৰু ৰুগ্ন স্বাস্থ্যক আঁকোৱালী ল'ব লগা হয়। আনকি মৃত্যুক সাবটি লোৱাও দেখা যায়।

৩। বৃদ্ধ বয়সত মহিলাক নিজ পুত্ৰয়ো অৱহেলা কৰা দেখা যায়। বৃদ্ধ মাতৃৰ বোজা অধিকাংশ পুত্ৰই ল'ব নিবিচাৰে; যাৰ ফলত বৃদ্ধ বয়সত মাতৃয়ে অশেষ যাতনা ভোগ কৰিব লগা হয়।

**অসমত নাৰী নিৰ্যাতনৰ কিছু শিহৰণকাৰী তথ্য ঃ**

যোৱা কেইটামান বছৰত অসমত হোৱা নাৰী নিৰ্যাতনৰ কিছু শিহৰণকাৰী তথ্য তলত দিয়া ধৰণৰ— যোৱা ২০১১ চনত সংঘটিত হোৱা নাৰী নিৰ্যাতনৰ ঘটনাত অসম দেশৰ ভিতৰত পঞ্চম স্থানত আছিল। ইয়াৰ উপৰিও ২০১৩ চনৰ মাৰ্চ মাহৰ বিধানসভাৰ বাজেট অধিৱেশনত মন্ত্ৰী ৰকিবুল হুছেইনে দাখিল কৰা তথ্য অনুসৰি বিগত দহ বছৰত ৩৩,১৯৮ টা নাৰী নিৰ্যাতনৰ ঘটনা অসমত সংঘটিত হৈছে আৰু এই সময়ছোৱাত সেই হিচাপত নিতৌ ৯ টাৰো অধিক নাৰী নিৰ্যাতনৰ ঘটনা ঘটিছে। বিধানসভাত মন্ত্ৰীৰ তথ্য মতে ২০১২ চনৰ ১ জানুৱাৰীৰ পৰা ৩১ মাৰ্চৰ ভিতৰত মাথো তিনি মাহত অসমত নাৰী নিৰ্যাতনৰ ঘটনা ১,৩৩৯টা। এনে ধৰণৰ তথ্যৰ পৰা আমি সহজে অনুমান কৰিব পাৰো যে নাৰী সকলে কিদৰে নিৰ্যাতন ভোগ কৰি থাকিব লগা হৈছে। উল্লেখনীয় বিষয় এয়ে যে ওপৰত উল্লেখ কৰা তথ্যখিনি প্ৰকাশ হোৱা তথ্যহে। এনেদৰে আৰু কিমান যে ঘটনা প্ৰকাশ নহোৱাকৈ ৰৈ গৈছে তাক ভাবিবই টান।

**নাৰী নিৰ্যাতনৰ মূল কাৰণ সমূহ ঃ**

বিভিন্ন সময়ত বিভিন্ন কাৰণত নাৰী সকল নিৰ্যাতিত হৈ আহিছে যদিও তলত নাৰী নিৰ্যাতনৰ কিছুমান নিৰ্দিষ্ট কাৰণ উল্লেখ কৰা হ'ল—

**(১) পূজিবাদী সমাজ ব্যৱস্থা ঃ** পূজিবাদী সমাজ ব্যৱস্থা হ'ল নাৰী নিৰ্যাতনৰ এটা অন্যতম গুৰুত্বপূৰ্ণ কাৰণ। পূজিবাদে আজি নাৰীক ভোগৰ

সামগ্ৰীলৈ ৰূপান্তৰিত কৰিব ধৰিছে। মানুহ এতিয়া ভোগ বিলাসী হৈ পৰিছে। বৃহৎ বৃহৎ কৰ্পোৰেট গোষ্ঠীবোৰে নিজৰ ব্যৱসায়ৰ স্বাৰ্থত নাৰীক পণ্যৰূপে ব্যৱহাৰ কৰিব লৈছে। নাৰীক নামমাত্ৰ বস্ত্ৰ পিন্ধিবলৈ দি তেওঁলোকৰ সামগ্ৰীৰ বিজ্ঞাপন প্ৰচাৰ চলাব ধৰিছে। কবলৈ গ'লে নাৰীক ব্যৱসায়ৰ মাধ্যম কৰি লৈছে। ইয়ে নাৰীৰ মৰ্যাদা যথেষ্ট পৰিমাণে অৱনমিত কৰিছে। যাৰ ফলত পদে পদে নাৰী সকলে শাৰীৰিক তথা মানসিক নিৰ্যাতনৰ সন্মুখীন হ'ব লগা হৈছে।

**(২) যৌতুকৰ বাবে ঃ** নাৰী নিৰ্যাতনৰ আন এক কাৰণ হ'ল যৌতুক। নৱ-বিবাহিতাই স্বামী গৃহলৈ যৌতুক আনিব নোৱাৰিলে স্বামীগৃহৰ পৰা নানা ধৰণৰ ককৰ্থনা, ভৰ্ৎসনা আদি শুনিব লগা হয়; আনকি ইয়াৰ বাবে শাৰীৰিক তথা নানা ধৰণে আৰু মানসিক নিৰ্যাতনৰ সন্মুখীন হ'ব লগাত পৰে।

**(৩) প্ৰকৃত শিক্ষাৰ অভাৱ ঃ** বৰ্তমান সময়তো যথেষ্ট সংখ্যক মহিলা সাধাৰণ শিক্ষাৰ পৰাও বঞ্চিত হৈ থাকিব লগা হৈছে। যাৰ ফলত তেওঁলোকে বিভিন্ন সময়ত অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ বলি হৈ নানা ধৰণে নিৰ্যাতিত হ'ব লগা হৈছে। আনহাতে আনুষ্ঠানিক ভাৱে শিক্ষিত লোক সকলেও অন্ধবিশ্বাস, কু-সংস্কাৰ আদিক মানি লৈ মহিলা সকলক নিৰ্যাতন চলোৱা দেখা যায়। ডাইনী হত্যা ইয়াৰ জ্বলন্ত উদাহৰণ। এই ক্ষেত্ৰত অৱশ্যে কিছুমানৰ ব্যক্তিগত স্বাৰ্থও লুকাই থকা দেখা যায়। প্ৰকৃত শিক্ষাই মানুহক সহানুভুতীশীল হ'বলৈ শিকায়; কিন্তু প্ৰকৃত শিক্ষাৰ অভাৱৰ বাবে নাৰীয়ে নাৰীৰ মৰ্যাদা বুজি নোপোৱা হৈছে। আৰু নাৰীয়ে নাৰীৰ ওপৰত নিৰ্যাতন চলাব ধৰিছে।

**(৪) মানবীয় অনুভূতিৰ চৰম অৱক্ষয় ঃ** মানবীয় অনুভূতিৰ চৰম অৱক্ষয় হ'ল নাৰী নিৰ্যাতনৰ আন এক গুৰুত্বপূৰ্ণ কাৰণ। মৰম, ভালপোৱা, চেনেহ, বিশ্বাস, বন্ধুত্ব, ভাতৃত্ব আদিৰ দৰে মানবীয় গুণ সমূহ আজিৰ সমাজ তথা ব্যক্তিয়ে ক্ৰমে পাহৰিব লৈছে। মানুহ এতিয়া হৈ পৰিছে ব্যক্তিকেন্দ্ৰিক তথা স্বাৰ্থপৰ। উদাহৰণ স্বৰূপে এতিয়া স্বামীয়ে নিজ স্ত্ৰীক বিশ্বাস কৰিবলৈ তান পায় আৰু পৰপুৰুষৰ লগত সম্পৰ্ক থকা বুলি বা অন্যান্য কিছুমান কাৰণত সন্দেহ কৰি নানা ধৰণে শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলায়।

**(৫) নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ ঃ** নিচাই মানুহক পশুৰ তুল্য কৰি পেলায়। অধিকাংশ পুৰুষে নিচাৰ ৰাগীত মাতাল হৈ নিজ স্ত্ৰীৰ ওপৰত অকাৰণতে অকথ্য নিৰ্যাতন চলায়। শেহতীয়া এটা সমীক্ষাত প্ৰকাশ হোৱা তথ্য অনুসৰি নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰৰ ফলত প্ৰায় ৮৫ শতাংশ ঘৰুৱা হিংসা হয়। ইয়াৰ ফলত মহিলা সকল যথেষ্ট নিৰ্যাতনৰ সন্মুখীন হ'ব লগা হয়।

**(৬) প্ৰচাৰ মাধ্যমৰ ভূমিকা ঃ** বৰ্তমান সময়ত প্ৰচাৰ মাধ্যমৰ ভূমিকা ভৱিষ্যৎ সমাজৰ বাবে মংগলদায়ক নহয় যেন লাগে। কিয়নো প্ৰচাৰ মাধ্যম সমূহে নাৰী নিৰ্যাতন আদিৰ দৰে ঘটনা সমূহ বাৰে বাৰে প্ৰচাৰ কৰি থকাৰ বাবে জনসাধাৰণৰ মনত এক

র্যাতনৰ পৰা যথেষ্ট পৰিমাণে
কৰিব পাৰি।
প্ৰথা বন্ধ হ'ব লাগিব ঃ বিয়াৰ
বাবে বহুতো নাৰী স্বামীগৃহত
ৰ লগা হয়। সেয়েহে যৌতুক
া কঠোৰ আইন প্ৰণয়ন কৰি
বস্থা গ্ৰহণ কৰিব লাগিব।
তুক নিদিওঁ আৰু নলওঁ বুলি
।
ধ্যমৰ গঠনমূলক ভূমিকা ঃ
াৰী নিৰ্যাতনৰ ঘটনা সমূহ

শান্তি আনৰ বা
নিৰ্যাতন কৰিবৰ
(৯)
ঠাইত সজাগ
ৰেলীয়ে সমা
ওপ
আন বহুতে
প্ৰতিবোধ ক
সামৰণি ঃ
নাৰী নিৰ্যা
কৰিব পা

নকাৰাত্মক প্ৰভাবহে পৰা দেখা যায়। আৰু ইয়াৰ ফলত জনসাধাৰণে তেনে ধৰণৰ ঘটনা সংঘটিত কৰিবলৈ উৎসাহিত তথা অনুপ্ৰাণিত হোৱাহে দেখা যায়। সেয়েহে বৰ্তমান সময়ত প্ৰচাৰ মাধ্যমৰ ভূমিকাকো নাৰী নিৰ্যাতনৰ কাৰণ বুলি ক'ব পৰা যায়।

সিপিঠিত উল্লেখ কৰা নাৰী নিৰ্যাতনৰ কাৰণ সমূহৰ উপৰিও আৰু বিভিন্ন কাৰণত নাৰী নিৰ্যাতিত হৈ অহা দেখা যায় যদিও ওপৰোক্ত কাৰণ সমূহে প্ৰধান।

**নাৰী নিৰ্যাতন প্ৰতিৰোধৰ উপায় সমূহ ঃ**

নাৰী নিৰ্যাতন প্ৰতিৰোধ কৰাৰ বহুতো উপায় আছে যদিও তলত উল্লেখ কৰা উপায় সমূহৰ জৰিয়তে নাৰী নিৰ্যাতন বন্ধ হ'ব বুলি আশা কৰিব পাৰি—

**(১) প্ৰকৃত শিক্ষা গ্ৰহণ কৰিব লাগিব ঃ** প্ৰকৃত শিক্ষা গ্ৰহণৰ জৰিয়তে নাৰী নিৰ্যাতন প্ৰতিৰোধ কৰিব পৰা যায় বুলি আশা কৰিব পাৰি। মহিলা সকলে আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ উপৰিও নিজক সুৰক্ষা দিয়াৰ স্বাৰ্থত শাৰীৰিক শিক্ষাও গ্ৰহণ কৰিব লাগিব। আধুনিক যুগৰ লগত খাপ খাব পৰাকৈ সকলো আদব-কায়দা শিকিব লাগিব। কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰ পৰা আঁতৰি থাকিব লাগিব। মানৱীয় প্ৰমূল্যবোধৰ শিক্ষা লোৱাৰ লগতে নাৰীয়ে নাৰীক মৰ্যাদা দিব শিকিব লাগিব। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমত নাৰী নিৰ্যাতনৰ বিষয়ে সজাগতা সৃষ্টি কৰিব পৰা পাঠ্য অন্তৰ্ভূক্ত কৰিব লাগিব। ছাত্ৰ অৱস্থাৰে পৰা এই বিষয়ত সচেতনতাৰ সৃষ্টি কৰিলে নাৰী নিৰ্যাতন বন্ধ হ'ব বুলি আশা কৰিব পৰা যায়।

**(২) সাম্য, মৈত্ৰী মনোভাৱ সৃষ্টি ঃ** পুৰুষ-মহিলা উভয়ৰে মনত সাম্য-মৈত্ৰী মনোভাব সৃষ্টি কৰাৰ বাবে বিভিন্ন কাৰ্যপন্থা হাতত ল'ব লাগিব। কোনো ক্ষেত্ৰত প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিলে পুৰুষ-মহিলা উভয়কে অংশগ্ৰহণৰ সম-সুবিধা দিব লাগিব। মহিলাকো পুৰুষৰ দৰে সম-শক্তিশালী বুলি গণ্য কৰিব লাগিব। মুঠৰ ওপৰত কোনো ক্ষেত্ৰতে মহিলাক বৈষম্য তথা বঞ্চনা কৰিব নালাগিব।

**(৩) পুঁজিবাদী সমাজ ব্যৱস্থা বৰ্জন ঃ** পুঁজিবাদে নাৰীক ভোগৰ সামগ্ৰী বুলিহে গণ্য কৰি আহিছে সেয়েহে পুঁজিবাদী সমাজ ব্যৱস্থা বৰ্জন কৰি নাৰীকো পুৰুষৰ সম-মৰ্যাদা দিব লাগিব। নাৰীক সৃষ্টিৰ অধিকাৰী বুলি গণ্য কৰিব লাগিব। পুঁজিবাদী সমাজ বৰ্জন কৰি পুৰুষ-মহিলা উভয়ে সাম্য, মৈত্ৰী মনোভাব লৈ জীয়াই থাকিব লাগিব। নাৰীকো পুৰুষৰ সম স্বাধীনতা দিব লাগিব। মুঠৰ ওপৰত সমাজবাদী ব্যৱস্থা এটা সৃষ্টি কৰিব পাৰিব লাগিব।

**(৪) নিচাযুক্ত দ্ৰব্য বৰ্জন ঃ** নিচাযুক্ত দ্ৰব্য গ্ৰহণৰ ফলত গ্ৰহণকাৰী ব্যক্তিৰ নিজৰ লগতে ঘৰ, তথা সমাজৰো যথেষ্ট ক্ষতি হয় আৰু নাৰী সকলে মূলত ইয়াৰ দুৰ্ভোগ তথা যাতনা ভোগ কৰিব লগা হয়। সেয়েহে এনে ধৰণৰ দ্ৰব্য সমূহৰ বিক্ৰী তথা ব্যৱহাৰৰ বিৰুদ্ধে কঠোৰ আইন প্ৰণয়ন কৰি ইয়াক বন্ধ কৰিব লাগিব। এনে দ্ৰব্য সমূহ বৰ্জন তথা বন্ধ

কৰিলে নাৰী সকল নিৰ্যাতনৰ পৰা যথেষ্ট পৰিমাণে মুক্ত হ'ব বুলি আশা কৰিব পাৰি।

(৫) যৌতুক প্ৰথা বন্ধ হ'ব লাগিব ঃ বিয়াৰ পিছত যৌতুক নিদিয়া বাবে বহুতো নাৰী স্বামীগৃহত নানা ধৰণে নিৰ্যাতিত হ'ব লগা হয়। সেয়েহে যৌতুক দিয়া আৰু লোৱা ব্যৱস্থা কঠোৰ আইন প্ৰণয়ন কৰি হ'লেও বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আগেয়ে সকলোৱে যৌতুক নিদিওঁ আৰু নলওঁ বুলি প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব।

(৬) প্ৰচাৰ মাধ্যমৰ গঠনমূলক ভূমিকা ঃ প্ৰচাৰ মাধ্যম সমূহে নাৰী নিৰ্যাতনৰ ঘটনা সমূহ নাকাৰাত্মক ভাৱে প্ৰচাৰ নকৰি গঠনমূলক ভাৱে প্ৰচাৰ কৰিব লাগিব। ইয়াৰ উপৰিও বেনাৰ, হোৰ্ডিংছ আদিৰ জড়িয়তেও সজাগতা আনিবলৈ চেষ্টা চলাব লাগিব।

(৭) আলোচনা সভা ঃ আলোচনা সভাত নাৰী নিৰ্যাতনৰ কু-ফল সমূহে সমাজত কিদৰে নাকাৰাত্মক প্ৰভাব পেলাই তাক গঠনমূলক ভাৱে আলোচনা কৰাৰ ব্যৱস্থা কৰিব লাগে। ইয়াত উভয় পক্ষৰে অংশ গ্ৰহণৰ ব্যৱস্থা কৰিব লাগিব।

(৮) দৃষ্টান্তমূলক শাস্তিৰ ব্যৱস্থা ঃ বহু সময়ত দেখা যায় যে নাৰী নিৰ্যাতনৰ অভিযোগত অভিযুক্ত তথা দোষী সকলে সাধাৰণ শাস্তিহে লাভ কৰে। ফলত দোষী সকল সংশোধন নহয়। সেয়েহে এই ক্ষেত্ৰত দোষী সকলক কঠোৰৰ পৰা কঠোৰতম শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে দোষী সকলে পোৱা শাস্তি আনৰ বাবে এক দৃষ্টান্ত হৈ বয় আৰু নাৰী নিৰ্যাতন কৰিবলৈ সকলোৱে ভয় কৰে।

(৯) সজাগতা ৰেলী ঃ বিভিন্ন সময়ত বিভিন্ন ঠাইত সজাগতা ৰেলী কৰিব পৰা যায়। এনেধৰণৰ ৰেলীয়ে সমাজত এক সকাৰাত্মক প্ৰভাব পেলায়।

ওপৰত উল্লেখ কৰা ব্যৱস্থা সমূহৰ উপৰিও আন বহুতো ব্যৱস্থাৰ জৰিয়তে নাৰী নিৰ্যাতন প্ৰতিৰোধ কৰিব পৰা যাব বুলি আশা কৰিব পাৰি।

সামৰণি ঃ ওপৰত উল্লেখ কৰা উপায় সমূহৰ জৰিয়তে নাৰী নিৰ্যাতন প্ৰতিৰোধ কৰিব পৰা যায় বুলি আশা কৰিব পাৰি যদিও ই সম্পূৰ্ণৰূপে বন্ধ হ'ব বুলি নিশ্চয়তা প্ৰদান কৰিব নোৱাৰি। কিয়নো বিভিন্ন সময়ত নাৰী নিৰ্যাতন প্ৰতিৰোধ কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে যদিও ইয়াক সম্পূৰ্ণৰূপে বন্ধ কৰিব পৰা নাযায়। কাৰণ মানুহৰ মানসিকতাৰ পৰিবৰ্তন হোৱা নাই। সেয়েহে আমি প্ৰথমে নিজৰ তাৰ পিছত সমাজৰ সকলোৰে মানসিকতা পৰিবৰ্তন কৰিব লাগিব। ইয়াৰ উপৰিও আমি কেৱল ৮ মাৰ্চৰ দিনটো "আন্তঃৰ্জাতিক নাৰী দিৱস" ৰূপে উদযাপন নকৰি বছৰৰ প্ৰতিটো দিনে নাৰী দিৱস বুলি ভাবিব লাগিব। পুৰুষ-মহিলা উভয়ে উভয়ক মৰ্যাদা দিব লাগিব। প্ৰতিজনী নাৰী প্ৰকৃত শিক্ষাৰে শিক্ষিত হ'ব লাগিব। তেতিয়াহে নাৰী নিৰ্যাতন প্ৰতিৰোধ কৰিব পৰা যাব বুলি আশা কৰিব পাৰি।◆◆

(বিঃদ্ৰঃ ভিন্ন উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।)

# বিশ্বায়ন আৰু তৃতীয় বিশ্বৰ অৰ্থনীতি

অপৰ্ণা দেৱী, প্ৰাক্তন ছাত্ৰী
ৰাজনীতি বিজ্ঞান বিভাগ
কামৰূপ কলেজ, চামতা
বৰ্ত্তমান গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী

বিশ্বায়ন স্পষ্ট ভাষাত ইয়াৰ ব্যাখ্যা দিয়া সহজ নহয়। বিশ্বায়ন মূলতঃ বিশ্ব অৰ্থনীতিৰ এক নতুন বিশ্বসূত্ৰ। বিশ্বায়নৰ ইংৰাজী প্ৰতিশব্দ হ'ল "Globalisation." আশীৰ দশকৰ পৰা আৰম্ভ কৰি বিশ্বায়নৰ ধাৰণাটোৱে পৃথিৱীৰ সকলোতে জনপ্ৰিয়তা অৰ্জন কৰিছে। সেয়েহে বিশ্বায়নৰ ধাৰণাটোক এটা নতুন ধাৰণা বুলি ক'ব পাৰি। বিশ্বায়ন হ'ল সেই প্ৰক্ৰিয়া যিটোৰ দ্বাৰা বিশ্বৰ মানুহ এটা সমাজ ব্যৱস্থাৰ অন্তৰ্ভুক্ত হয়।

বিশ্বায়নৰ অৰ্থ হ'ল সমগ্ৰ বিশ্বখনকে এটা কেন্দ্ৰীয় ব্যৱস্থাৰ অধীনলৈ অনা। বিশ্বায়ন সমগ্ৰ বিশেষকৈ বিশ্ব অৰ্থব্যৱস্থাক গোটেই বিশ্বত একীকৰণ কৰা এটা সূত্ৰ আৰু ব্যৱস্থা। সমগ্ৰ বিশ্বৰ মাজত অৰ্থনৈতিক সম্পৰ্ক এক প্ৰকাৰ শিথিল ব্যৱস্থাৰ মাজেৰে পৰিচালনা কৰাৰ এক প্ৰণালীবদ্ধ প্ৰক্ৰিয়াই হ'ল বিশ্বায়ন। পৃথিৱীৰ নানা দেশৰ মাজত পুঁজিৰ বিনিয়োগ আৰু পণ্যৰ আমদানি, ৰপ্তানি সম্পৰ্কীয় বাধা নিষেধ শিথিল কৰি উদাৰ দৃষ্টিভংগীৰে বেপাৰ বাণিজ্য পৰিচালনা কৰাৰ বিশেষ ব্যৱস্থাই হৈছে বিশ্বায়ন। ৰাষ্ট্ৰসমূহৰ মাজত আৰ্থিক সম্বন্ধ বঢ়াই তোলা আৰু মুকলি প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থা শক্তিশালী কৰি তোলাই হৈছে বিশ্বায়নৰ মুল কথা।

**তৃতীয় বিশ্বৰ অৰ্থনীতিত বিশ্বায়নৰ প্ৰভাৱ ঃ**

বিশ্বৰ আন আন দেশসমূহৰ লগতে তৃতীয় বিশ্বৰ দেশসমূহৰো সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনত বিশ্বায়নে গভীৰ প্ৰভাৱ পেলাইছে। তৃতীয় বিশ্বৰ অৰ্থনীতিত বিশ্বায়নৰ প্ৰভাৱ দুই প্ৰকাৰৰ— যোগাত্মক আৰু বিয়োগাত্মক প্ৰভাৱ।

**যোগাত্মক প্ৰভাৱ ঃ**

তৃতীয় বিশ্বৰ অৰ্থনীতিত বিশ্বায়নৰ যোগাত্মক প্ৰভাৱসমূহক তিনিটা ভাগত বিভক্ত কৰিব পাৰি—

**(i) সামগ্ৰী আৰু সেৱাৰ বাণিজ্য (Commodity and Service Business) ঃ**

বিশ্বায়নৰ ফলত তৰান্বিত হোৱা সামগ্ৰী আৰু সেৱাৰ মুক্ত বাণিজ্যই তৃতীয় বিশ্বৰ অৰ্থনীতিৰ বিকাশত

বিশেষ ভাৱে সহায় কৰিছে। মুক্ত বাণিজ্যই সাধাৰণতে সম্পদৰ সৰ্বোকৃষ্ট ব্যৱহাৰ সুনিশ্চিত কৰে আৰু উৎপাদনত বিশেষীকৰণৰ সূচনা কৰে। বিশ্বায়নৰ ফলত তৃতীয় বিশ্বৰ দেশসমূহৰ উৎপাদন বৃদ্ধি পাইছে। তাৰোপৰি বিশ্বায়নৰ আগতে প্ৰথম বিশ্বৰ বজাৰসমূহ তৃতীয় বিশ্বৰ দেশসমূহৰ বাবে বন্ধ আছিল। কিন্তু বিশ্বায়নৰ ফলত হোৱা অৰ্থনৈতিক একত্ৰীকৰণে তৃতীয় বিশ্বৰ দেশসমূহৰ বাবে ধনী আৰু উন্নত ৰাষ্ট্ৰসমূহৰ বজাৰত প্ৰৱেশৰ পথ সুচল কৰি তোলে।

**(ii) পুঁজিৰ সঞ্চালন (Fund Management) ঃ**

অৰ্থনৈতিক অনগ্ৰসৰতাৰ এটা মূল কাৰণ হৈছে ঘৰুৱা পুঁজিৰ মুক্ত সঞ্চালনে তৃতীয় বিশ্বৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত থকা বাধা ভালেখিনি আঁতৰ কৰিছে। বৈদেশিক পুঁজিৰ আগমনে তৃতীয় বিশ্বৰ অৰ্থনীতিসমূহৰ উন্নতিত যথেষ্ট সহায় কৰিছে। এই ক্ষেত্ৰত দক্ষিণ-পূৱ এছিয়াৰ দেশসমূহৰ কথা বিশেষভাৱে উল্লেখযোগ্য। দেশ এখনলৈ বৈদেশিক পুঁজিৰ আগমন দুই ধৰণে হ'ব পাৰে— প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ আৰু পোৰ্টফলিও ইনভেষ্টমেণ্ট। ইয়াৰ ভিতৰত তৃতীয় বিশ্বৰ দেশসমূহৰ বাবে প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ বেছি লাভজনক।

**(iii) বিত্তৰ প্ৰবাহ (Fiscal flow) ঃ**

